


সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

অসম প্ৰৱাহ

শুকুৰবাৰ ● ২৮ মাৰ্চ, ২০২৫/১৪ চ'ত ১৯৪৩ শক ● দাম ২.০০ টকা ● ত্ৰয়োদশ বছৰ
● সংখ্যা - ৪৯ ● Vol - 13, Issue - 49

# ধেমাজি আৰু ঢকুৱাখানা বিধানসভাকেন্দ্ৰিক পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ আৰু পলিমাৰ প্ৰকল্প পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ ■ বিচিপিএলৰ শীৰ্ষ বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ পৰ্যালোচনা বৈঠক





**দিছপুৰ** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত ধেমাজি বিধানসভা সমষ্টিত ৰূপায়িত হৈ থকা বিভিন্ন প্ৰকল্প, আঁচনি তথা অন্যান্য উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত এক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে পূৰ্বৰ কেবিনেট বৈঠকত ধেমাজিকেন্দ্ৰিক ঘোষণাসমূহৰ ৰূপায়ণৰ অগ্ৰগতিৰ সম্পৰ্কত পৰ্যালোচনা কৰি সেইসমূহৰ কাম ত্বৰান্বিত কৰাৰ দিশত যথোচিত নিৰ্দেশনা প্ৰদান কৰে। বৈঠকত জীয়াঢল, মৰিঢল, গাই নৈৰ সুঁতিয়ে সৃষ্টি কৰা বানপানী, ধেমাজি চহৰত সন্মিলন কেন্দ্ৰ নিৰ্মাণ, নলা-নৰ্দমা নিৰ্মাণ, শিশু উদ্যানৰ উন্নীতকৰণ, ধেমাজি আৰু গোগামুখ ৰাজহ চক্ৰৰ আন্তঃৰাজ্যিক সীমা সমস্যা আদি বিষয়সমূহো আলোচনা কৰি সেইসমূহ সমাধানৰ অৰ্থে প্ৰয়োজনীয় নিৰ্দেশ প্ৰদান কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে লোকনিৰ্মাণ (পথ), লোকনিৰ্মাণ (গৃহ), জলসম্পদ, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, শক্তি, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, জনস্বাস্থ্য, শিক্ষা, কৃষি, উদ্যোগ আৰু বাণিজ্য, বিত্ত, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ অধীনত চলি থকা আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহৰ অগ্ৰগতিৰ বুজ লয়। জোনাইৰ পৰা মাজুলীলৈ পথযুক্ত মথাউৰীৰ উন্নীতকৰণ, অসম মালা ১.০ ৰ অধীনত ঢকুৱাখনাৰ পৰা তেলীজানলৈ পথ উন্নীতকৰণ, অসম মালা ২.০ ৰ অধীনত বুটিকুৰৰ পৰা ঘিলামৰালৈ পথ উন্নীতকৰণ, মুখ্যমন্ত্ৰী উন্নত পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত ৰূপায়িত প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লৈ সমষ্টিটোত চলি থকা প্ৰকল্পসমূহৰ দ্ৰুত ৰূপায়ণৰ অৰ্থে জিলা আয়ুক্তক নিয়মীয়াকৈ তদাৰক কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ প্ৰদান কৰে। উল্লেখ্য যে, ধেমাজিত এখন চিকিৎসা মহাবিদ্যালয় তথা হাস্পতাল, সংহত জিলা আয়ুক্তৰ কাৰ্যালয় ভৱন আৰু সংহত ক্ৰীড়া প্ৰকল্প নিৰ্মাণৰ কাম অব্যাহত আছে । তেনেদৰে ধেমাজিৰ চৰকাৰী ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু ধেমাজি পলিটেকনিক প্ৰতিষ্ঠানৰ উন্নীতকৰণ, ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নীতকৰণৰ কামো সম্প্ৰতি চলি আছে । এই কাম যাতে দ্ৰুতগতিত ৰূপায়ণ হয় সেই সন্দৰ্ভত আজি মুখ্যমন্ত্ৰীয়ে যাৱতীয় নিৰ্দেশ দিয়ে। আনহাতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত চলি থকা প্ৰধান মন্ত্ৰী আৱাস যোজনা, এম জি এনৰেগা, অমৃত সৰোবৰ আদি আঁচনি সমূহৰ ৰূপায়ণ সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। অমৃত সৰোবৰবোৰত যাতে অৰ্থনৈতিক কাম কাজ আৰম্ভ কৰিব পাৰি সেই সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে বিভাগক নিৰ্দেশ *১০ পৃষ্ঠাত*

# ডিব্ৰুগড় চহৰৰ কৃত্ৰিম বান সমস্যা সমাধানৰ অৰ্থে ৪৫ কোটি টকীয়া প্ৰকল্প গ্ৰহণ ৰাজ্য চৰকাৰৰ

## ডিমৌ বিধানসভা সমষ্টিৰ উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা মুখ্যমন্ত্ৰী ড° শৰ্মাৰ



**দিছপুৰ** ঃ বিকাশমুখী অভিনৱ পদক্ষেপ আৰু আঁচনিৰে সম্প্ৰতি ডিব্ৰুগড়ত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ত প্ৰস্তাৱিত অসম বিধানসভা আৰু বিধায়ক আৱাস নিৰ্মাণস্থলী পৰিদৰ্শন কৰাৰ লগতে নগৰখনৰ কৃত্ৰিম বানৰ সমস্যা নিৰসনৰ অৰ্থে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। তদুপৰি তেওঁ ডিমৌ বিধানসভা সমষ্টিকেন্দ্ৰিক আন এখন বৈঠকতো অংশগ্ৰহণ কৰি সমষ্টিটোৰ উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সুদীৰ্ঘ দিন ধৰি ডিব্ৰুগড় চহৰবাসীক জুৰুলা কৰি অহা কৃত্ৰিম বানৰ সমস্যাৰ পৰা মুক্ত কৰাৰ উদ্দেশ্যে আজি ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ চৌহদত ডিব্ৰুগড় পৌৰসভা আৰু গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ লগতে সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ *১০ পৃষ্ঠাত*

# তিৱা মাথনলাই তখ্ৰাৰ ত্ৰয়োদশ সংখ্যক কেন্দ্ৰীয় অধিৱেশনত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## তিৱা জনগোষ্ঠীৰ ভাষা-সাহিত্যৰ বিকাশ সাধনত তিৱা সাহিত্য সভাই লোৱা ভূমিকাই নতুন প্ৰজন্মক বিশেষভাৱে উৎসাহিত কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৩ মাৰ্চ** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মৰিগাঁও জিলাৰ ঔজাৰীস্থিত স্বৰ্গীয় জেমন চন্দ্ৰ বৰদলৈ ক্ষেত্ৰত আয়োজিত তিৱা জনগোষ্ঠীৰ জাতীয় অনুষ্ঠান তিৱা সাহিত্য সভা (তিৱা মাথনলাই তখ্ৰা)ৰ ত্ৰয়োদশ সংখ্যক কেন্দ্ৰীয় অধিৱেশনৰ মুকলি সভাত অংশগ্ৰহণ কৰে। সভাত ভাষণ প্ৰদান কৰি তিৱাসকলৰ সমৃদ্ধ লোকজীৱন আৰু লোককৃষ্টিৰ আধাৰতে তিৱা সাহিত্য গঢ় লৈ উঠিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে তিৱা সাহিত্যৰ মাজেদি প্ৰকাশিত হোৱা চিন্তা-চেতনাই ৰাজ্যৰ সাহিত্য ক্ষেত্ৰখন উৰ্বৰ কৰিছে। তেওঁ কয় যে জন্মলগ্নৰে পৰা জনগোষ্ঠীটোৰ ভাষা-সাহিত্যৰ বিকাশ সাধনত তিৱা সাহিত্য সভাই লোৱা ভূমিকাই নতুন প্ৰজন্মক বিশেষভাৱে উৎসাহিত কৰিছে। পূৰ্বৰে পৰা কথিত ৰূপত প্ৰচলিত হৈ অহা তিৱা ভাষাৰ লিখিত সাহিত্যৰ বিকাশ বিংশ শতিকাৰ সত্তৰৰ দশক মানৰ পৰা হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে এই ক্ষেত্ৰত ১৯৭৩ চনৰ মাৰ্চ মাহত প্ৰকাশিত সদৌ অসম তিৱা (লালুং) যুৱ-ছাত্ৰ সন্মিলনৰ 'ৰিংছাং' নামৰ মুখপত্ৰখনে মুখ্য ভূমিকা লৈছিল। তেওঁ লগতে কয় যে ৰিংছাঙত তিৱাসকলৰ আঁতি-গুৰি, জনগোষ্ঠীটোৰ গৌৰৱমণ্ডিত ইতিহাস, সমাজ আৰু ৰাজনীতি, কৃষ্টি-সংস্কৃতিৰ উপৰি তিৱা ভাষা আৰু সাহিত্য বিষয়ক কেতবোৰ লেখা প্ৰকাশ পাইছিল। ৰিংছাঙে তিৱা ভাষা আৰু সাহিত্য চৰ্চাৰ বাট মুকলি কৰি জনগোষ্ঠীটোৰ উঠি অহা প্ৰজন্মক নিজা ভাষাত সাহিত্য চৰ্চা কৰিবলৈ উদগণি যোগাইছিল। মুখ্যমন্ত্ৰীয়ে কয় যে ১৯৮০ চনৰ ১৫ নৱেম্বৰত জাগীৰোডৰ ওচৰৰ মাৰ্কংকুছি প্ৰাথমিক বিদ্যালয়ত চন্দ্ৰকান্ত বৰদলৈৰ সভাপতিত্বত তিৱা ভাষা উন্নয়ন *১০ পৃষ্ঠাত*





# নগাঁৱত বিশ্ব কবিতা দিৱসত ৰাজপথৰ গ্ৰন্থমেলাত কবি পাঠকৰ বিপুল সহাঁৰি



**পৱন শৰ্মা, নগাঁও ঃ** 'কবিক চিনাকি কৰাই নিদিবা, কবিতাই কবিৰ পৰিচয়।' - নৱকান্ত বৰুৱা। ২১ মাৰ্চ তাৰিখে নগাঁৱত বিশ্ব কবিতা দিৱসত শতাধিক কবিয়ে কবিতা পাঠ কৰাৰ লগতে ৰাজপথৰ গ্ৰন্থমেলা অনুষ্ঠিত হয়। নগাঁও জিলা কবি সন্মিলন, ৰাজপথৰ কবিতা, নগাঁও নাগৰিক সভা আৰু আমাৰ সাহিত্য সভাই আয়োজন কৰা ৰাজপথৰ গ্ৰন্থমেলাত পাঠকৰ সহাঁৰি আছিল উৎসাহজনক। অনুষ্ঠানৰ আৰম্ভণিতে ৰাজপথৰ গ্ৰন্থমেলা শুভ উদ্বোধন কৰে নগাঁও কলেজৰ শিক্ষা বিভাগৰ ছাত্ৰী চাৰ্জিদা নাৰ্গিছ আৰু কৃশা ৰংহাংয়ে। পুৱা ১০ বজাৰ পৰা নগাঁও চহৰৰ নগাঁও কলেজৰ সমীপৰ মতিৰাম বৰা উদ্যানত দিনজোৰাকৈ অনুষ্ঠিত হোৱা কবিতা পাঠৰ লগতে অশোক ৰাম ভট্টাচাৰ্যৰ 'সেউজীয়া ভালপোৱা যদি', মনোৰমা ভূএগাৰ 'বিয়ানাম' উন্মোচন কৰে নগাঁও জিলা কবি সন্মিলনৰ সভাপতি দুৰ্গেশ্বৰ বৰকটকীয়ে আৰু পুতুলি মুদৈৰ সজ কথা 'মহৎ বাণী' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে নগাঁও নাগৰিক সমাজৰ সভাপতি ফণীন্দ্ৰ গায়নে। প্ৰয়াগ শইকীয়া, গুণ কাকতি, দুলাল বৰা, দ্বিজেন্দ্ৰ নাথ হাজৰিকা, কিশোৰ দাস, শশী কেওঁট, বিৰিঞ্চি বৰা, কবিতা বৰা, আশা বৰা মন, ইন্দিৰা গোস্বামী ভট্টাচাৰ্য্য, স্বপ্না দেৱী, খৰ্গেশ্বৰ বৰা, সঞ্জীৱ সাগৰ চৌধুৰী, মিনতি দেৱী কাকতি, পৱিত্ৰী ভৰালী, জুনুমনি বৰা, দিগন্ত ভাগৱতী, প্ৰজ্ঞা পাৰমিতা বৰুৱা, প্ৰেমেশ্বৰ ঠাকুৰীয়া, কৰবী লিগিৰা, কল্পিতা দেৱী, অনুভূতি গায়ন, প্ৰদীপ শইকীয়া, দীপ্তি বৰা, বিনিময় দাস, হাইছউদ্দীন আহমেদ, মধু চৌধুৰী প্ৰমুখ্যে শতাধিক কবিয়ে বিশ্ব কবিতা দিৱসৰ লগত সংগতি ৰাখি কবিতা পাঠ কৰে। উল্লেখ্য নতুন প্ৰজন্মৰ একুৰিতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে কবিতা পাঠৰ জৰিয়তে অনুষ্ঠানটিক মুখৰিত কৰে। মদাৰজ্যোতি আৰু পৱন শৰ্মাই আঁত ধৰা উক্ত অনুষ্ঠানত সহযোগ কৰে ৰাজু সমীৰন আৰু দীপ জ্যোতি কাকতিয়ে।

### নগাঁৱৰ নৈনত চাঞ্চল্যকৰ ঘটনা

# প্ৰৱঞ্চক শংকৰ লাগাছুৰ আক্ৰমণত আহত পত্নী-শাহু আৰু জেঠেৰীয়েক

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও সদৰ আৰক্ষী চকীৰ অন্তৰ্গত নৈনে আৰক্ষী চকীৰ এলেকাধীন নৈনে নামকুৰি গাঁৱত যোৱা নিশা শংকৰ লাগাছু নামৰ এজন লোকে চোকা অস্ত্ৰৰে নিজৰ পত্নী, শাহুৱেক আৰু জেঠেৰীয়েকক আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰা এক চাঞ্চল্যকৰ ঘটনাই সমগ্ৰ নৈনে অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে, মাজুলীৰ শংকৰ লাগাছু নামৰ লোকজনে যোৱা নিশা প্ৰায় ১১ বজাত নৈনে নামকুৰি গাঁৱৰ শাহুৱেকৰ ঘৰত প্ৰৱেশ কৰি জেঠেৰীয়েক জ্যোতি প্ৰসাদ বৰাক প্ৰথমে চোকাদাৰে আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰে। পাছত তেওঁ পত্নী অঞ্জলি বৰা আৰু শাহুৱেক অনিমা বৰাকো দাৰে আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰে। লাগাছুৱে আনকি নিজৰ সাত মহীয়া কন্যা সন্তানকো হত্যাৰ অপচেষ্টা চলাই যদিও কথমপি কন্যা সন্তানটি ৰক্ষা পৰে। এই ঘটনা সংঘটিত হোৱাৰ সময়ত আটাইয়ে চিঞৰ-বাখৰ কৰাত লাগাছুৱে পিছফালৰ দুৱাৰ খুলি পলায়ন কৰে। এই ঘটনাৰ খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত নৈনে আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিৰীক্ষণ কৰে আৰু আক্ৰমণত ব্যৱহাৰ কৰা দা খনো উদ্ধাৰ কৰে। জানিব পৰা মতে শংকৰ লাগাছুৱে নামকুৰি গাঁৱৰ এগৰাকী যুৱতীৰ লগত প্ৰেমৰ সম্পৰ্ক গঢ়ি তুলিছিল। তাকলৈয়েই এই সংঘাতৰ সূত্ৰপাত হয়। আহত জ্যোতিপ্ৰসাদ বৰাই সাংবাদিকৰ আগত প্ৰকাশ কৰা অনুসৰি, ডেৰ বছৰমানৰ পূৰ্বে মাজুলীৰ বিবাহিত আৰু এটি সন্তানৰ পিতৃ শংকৰ লাগাছুৱে নিজকে অবিবাহিত বুলি কৈ বিভিন্ন প্ৰলোভন দি অঞ্জলি বৰাক বিয়া কৰায়। বিয়াৰ কিছুদিন পিছৰে পৰাই লাগাছুৱে পত্নীক শাৰীৰিকভাৱে অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰে। উপায়ন্তৰ হৈ অঞ্জলিক পৰিয়ালৰ লোকে মাতৃগৃহলৈ লৈ আহে। ইয়াৰ মাজতে লাগাছু আৰু অঞ্জলীৰ এটি কন্যা সন্তানৰ জন্ম হয়। উল্লেখ্য যে পাগাছুৰ আন এগৰাকী পত্নী আছে। এই গৰাকী পত্নীৰ ফালৰ পৰা লাগাছুৰ তিনিটা সন্তান আছে। নিকৃষ্ট মানসিকতাৰ এই লোকজনে নৈৰ পত্নী গৰাকীৰ লগত ককায়েকৰ সম্পৰ্ক থকাৰ সন্দেহ কৰি আহিছিল। ইয়াৰ বাবে তেওঁ পত্নীৰ লগতে জেঠেৰীয়েকক হত্যাৰ ভাবুকি দি আহিছিল। স্থানীয় ৰাইজে এই ঘটনাৰ গৰিহণা দিয়াৰ লগতে দোষীক কঠোৰ শাস্তি বিহিবলৈ দাবী জনাইছে।

# শিৱসাগৰত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিব ডাঃ পি অশোক বাবুৰ আন্তঃগাঁথনি উন্নয়নৰ সন্দৰ্ভত সভা



**অমৃত কুমাৰ শৰ্মা ঃ** অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা বিভাগৰ আয়ুক্ত সচিৱ ডাঃ পি অশোক বাবু (ভাঃপ্ৰঃসেৱা)ৰ সভাপতিত্বত স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত মীনাক্ষী পাৰ্মে (অঃঅঃসেঃ), স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন কলিতা, শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ ৰঞ্জিত হাজৰিকাৰ উপস্থিতিত যোৱা ২৩ মাৰ্চত দিনৰ ১১ বজাত শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষকৰ কাৰ্যালয়ত চাহ বাগিচাৰ মজুৰি ক্ষতিপূৰণ আঁচনি (Wage Compensation Scheme), জননী সুৰক্ষা যোজনা (JSY), বিনামূলীয়া ঔষধ সেৱাৰ লগতে প্ৰসূতি আৰু শিশু স্বাস্থ্যসেৱা কোষৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বিষয়ে আলোচনা কৰিবলৈ এখন বৈঠকত মিলিত হয়। সভাত জ্যেষ্ঠ চিকিৎসক-স্বাস্থ্য বিষয়া, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান শিৱসাগৰৰ আঁচনি প্ৰৱন্ধক ধ্ৰুৱ জ্যোতি শইকীয়া, জিলা গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনৰ লগতে ডি পি এম ইউৰ সদস্যসকল আৰু শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ সকলো চিকিৎসক তথা বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। সভাৰ অন্তত ডাঃ পি অশোক বাবুয়ে SNCU ত ভৰ্তি হোৱা নৱজাতকৰ পৰিদৰ্শন কৰে আৰু প্ৰসূতি আৰু শিশু স্বাস্থ্যসেৱা কোষ পৰিদৰ্শন কৰাৰ লগতে ষ্টাফ নাৰ্ছ আৰু চাফাই কৰ্মীসকলৰ লগত মতবিনিময় কৰে।

# টিহুৰ দৰঙ্গীপাৰাত বৰক্ষেত্ৰী পশ্চিম নলবাৰী মণ্ডল বিজেপিৰ উদ্যোগত সম্বৰ্ধনা ও যোগদান সভা

### কংগ্ৰেছৰ প্ৰাক্তন আঞ্চলিক পঞ্চায়তৰ সদস্যৰ বিজেপিত যোগদান



**শংকৰ দাস, মুকালমুৱা ঃ** নলবাৰী জিলাৰ নৱগঠিত টিহু বিধাননসভা সমষ্টিৰ অন্তৰ্গত বৰক্ষেত্ৰী পশ্চিম নলবাৰী মণ্ডল বিজেপিৰ উদ্যোগত দৰঙ্গীপাৰা প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত এখনি সম্বৰ্ধনা ও যোগদান সভা অনুষ্ঠিত কৰা হয়। সম্বৰ্ধনা ও যোগদান সভাত নৱ নিযুক্ত নলবাৰী জিলা বিজেপিৰ সভাপতি জয়ন্ত বুজৰবৰুৱাক বৰক্ষেত্ৰী পশ্চিম নলবাৰী মণ্ডল বিজেপিৰ প্ৰতিটো বুথৰ সভাপতি, মণ্ডলৰ বিভিন্ন বিষয়ববীয়াসকলে সম্বৰ্ধনা জনোৱাৰ লগতে একেখন সভাত এক যোগদান কাৰ্যসূচী অনুষ্ঠিত কৰে। বৰক্ষেত্ৰী পশ্চিম নলবাৰী মণ্ডল বিজেপিৰ সভাপতি শৈলেন্দ্ৰ কলিতাৰ নেতৃত্বত দৰঙ্গীপাৰা প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত হোৱা উক্ত সভাখনত কংগ্ৰেছ দল ত্যাগ কৰি ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰে এগৰাকী প্ৰাক্তন আঞ্চলিক পঞ্চায়তৰ সদস্য তথা বিভিন্ন ৰাজনৈতিক দলৰ প্ৰায় দুশ নেতা কৰ্মী। সভাখনত উপস্থিত থাকে নলবাৰী জিলা বিজেপি, মণ্ডল বিজেপি, সংখ্যালঘু মৰ্চা, মহিলা মৰ্চাৰ বিষয়ববীয়া তথা দলীয় কাৰ্যকৰ্তা সকল।


# শিৱসাগৰত ৰাজ্যিক বিজেপিৰ সাংগঠনিক সাধাৰণ সম্পাদক ৰবিন্দ্ৰ ৰাজুৰ দলীয় কৰ্মীক মাগদৰ্শন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলা বিজেপিৰ কাৰ্যালয়ৰ সভাকক্ষত যোৱা ২১ মাৰ্চত ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবিন্দ্ৰ ৰাজুয়ে দলীয় কৰ্মীসকলক মাগদৰ্শন কৰাৰ সন্দৰ্ভত এক সভা অনুষ্ঠিত হৈ যায়। শিৱসাগৰ জিলা বিজেপিৰ সভাপতি বিতোপন ৰাইদঙীয়াৰ সভাপতিতত্ব অনুষ্ঠিত হোৱা সভাত উদ্দেশ্য ব্যাখ্যা কৰে শিৱসাগৰ জিলা বিজেপিৰ সাধাৰণ সম্পাদক চন্দ্ৰজিৎ বুঢ়াগোহাঁইয়ে। প্ৰাক্তন সাংসদ তথা ৰাজ্যিক বিজেপিৰ উপ-সভাপতি তপন কুমাৰ গগৈ উপস্থিত থকা সাংগঠনিক সভাত ৰাজ্যিক বিজেপিৰ সাংগঠনিক সাধাৰণ সম্পাদক ৰবিন্দ্ৰ ৰাজুয়ে দলীয় কৰ্মীসকলক মাগদৰ্শন দিয়াৰ লগতে কৰ্মীসকলৰ সৈতে মতবিনিময়ো কৰে। সভাত প্ৰায় ডেৰ শতাধিক দলীয় নেতা-কৰ্মীৰ লগতে ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সদস্য সমীৰ গগৈ, বিজেপি নেতা শিৱ বদ্ৰা, প্ৰহ্লাদ গোৱালা, মানস সন্দিকৈকে ধৰি বহু জ্যেষ্ঠ নেতা উপস্থিত থাকে। উক্ত সভাতেই ৰাজ্যিক বিজেপিৰ সাংগঠনিক সম্পাদক ৰবিন্দ্ৰ ৰাজুক শিৱসাগৰ জিলা বিজেপিৰ সভাপতি বিতোপন ৰাইদঙীয়াৰ লগতে অন্য বহুজনে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে, মাতৃ বন্দনাৰে আৰম্ভ হোৱা সম্বৰ্ধনা অনুষ্ঠানত শিৱসাগৰ জিলা বিজেপিৰ সভাপতি বিতোপন ৰাইদঙীয়াই আগন্তুক পঞ্চায়ত নিৰ্বাচন আৰু বিধানসভা নিৰ্বাচনত শিৱসাগৰ জিলা বিজেপিয়ে যাতে নিজৰ সৰ্বোচ্চ দলৰ স্বাৰ্থত উজাৰি দি শিৱসাগৰ জিলাত আকৰ্ষণীয় নিৰ্বাচনী সফলতা দেখুৱাব পাৰে তাৰ কাৰণে দলীয় সতীৰ্থসকলক আহ্বান জনায়। সভাৰ শেষত ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা হয়।

# তেজপুৰত উন্মোচন হ'ব কবি নিৰঞ্জন বৰাৰ কবিতাৰে ৰঞ্জিত কুমাৰ শইকীয়াৰ কাব্য বিশ্লেষণ গ্ৰন্থ- 'মাজ নিশাৰ হাঁহি'

**চন্দন শৰ্মা, তেজপুৰ ঃ** কবি নিৰঞ্জন বৰা আৰু বিশ্লেষক ৰঞ্জিত কুমাৰ শইকীয়া দুয়ো গৰাকী নিষ্ঠাবান সাহিত্য সংস্কৃতিৰ অক্লান্ত কৰ্মী। সাহিত্য সংস্কৃতি আৰু সমাজ সংগঠক হিচাপে দুয়ো অবিৰতভাৱে বহু বছৰ আগৰে পৰাই কাম কৰি আহিছে। সাহিত্য সংস্কৃতিৰ সংগঠক হিচাপে কাম কৰাৰ সমান্তৰালকৈ দুয়ো গৰাকী কৃতি শিক্ষকৰূপেও পৰিগণিত। শৈক্ষিক আৰু সামাজিক কাম-কাজৰ মাজতে তেওঁলোক সাহিত্য সাধনাত নিমগ্ন। ইতিমধ্যে নিৰঞ্জন বৰাৰ কাব্যগ্ৰন্থ সুগ্ৰাহিতা, শতেক ফুলৰ সুবাস, তেজস্বী অনুৰাগ, প্ৰয়াসৰ কৰ্ণিকা, প্ৰৱন্ধ সংকলন দৰ্পণ আৰু কাব্য গদ্যৰ সংকলন কেওট জ্যোতিকে ধৰি ছয়খন গ্ৰন্থ প্ৰকাশ কৰি পাঠক সমাজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ৰঞ্জিত কুমাৰ শইকীয়াৰ প্ৰকাশিত গ্ৰন্থ-প্ৰৱন্ধ সংকলন - শংকৰদেৱৰ ধৰ্ম দৰ্শনৰ জিলিঙনি, কল্পতৰু, ভকতি অমিয়া। সম্পাদিত গ্ৰন্থ - দুকুৰিৰো অধিক। কাব্য বিশ্লেষণ গ্ৰন্থ-মাজ নিশাৰ হাঁহি। নিৰঞ্জন বৰাৰ দ্বাৰা জন্ম লাভ কৰা সাহিত্য সংস্কৃতি সাধনা মঞ্চ, অসম চৰকাৰী পঞ্জীয়নভুক্ত স্বেচ্ছাসেৱী জাতীয় অনুষ্ঠানটিৰ অহা ইং ৫ আৰু ৬ এপ্ৰিল ২০২৫ তাৰিখে শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত আদৰণি সমিতি তথা ৰাইজৰ সহযোগত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত হ'ব। প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক হিচাপে নিৰঞ্জন বৰাই আজিকোপতি অনুষ্ঠানটিত কাৰ্যনিৰ্বাহ কৰি থকাৰ লগতে ৰঞ্জিত কুমাৰ শইকীয়াই মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। সাহিত্য সংস্কৃতিৰ সেউজ পথাৰখন চিৰসেউজ কৰাৰ যাত্ৰাত সদায়েই তেওঁলোক অভ্যস্ত। কবি প্ৰাণে সদায়েই সৃষ্টিৰ নিজৰা বোৱাবলৈ যত্নপৰ হয়। কবিৰ অনুভৱৰ কাপেৰে নিগৰিত বছা বছা কাব্যৰ কৰণিৰে বিশ্লেষকে বিশ্লেষণ কৰাৰ প্ৰয়াস কৰে। সেই আপাহতে কবি নিৰঞ্জন বৰাৰ কাপৰ মহীৰে নিগৰা একাঁজলি মান কবিতাৰে চৰাইদেউ জিলাৰ কলাকটা উচ্চতৰ মাধ্যমিক বিদ্যালয় উপাধ্যক্ষ ৰঞ্জিত কুমাৰ শইকীয়াৰ হেঁপাহ জাগ্ৰত হয়। একাগ্ৰতাৰে মন মেলি কবি নিৰঞ্জন বৰাৰ ভালে সংখ্যক কাব্য বাচনি কৰি লৈ ৰঞ্জিত কুমাৰ শইকীয়াই কাব্য বিশ্লেষণৰ গ্ৰন্থ 'মাজ নিশাৰ হাঁহি' লিখি উলিয়াবলৈ সক্ষম হয়। সেই মৰ্মেই তেওঁ লোকৰ জীৱনৰ বহু মূল্যৱান প্ৰায় ২০০ পৃষ্ঠাৰো অধিক প্ৰথমখন কাব্য বিশ্লেষণৰ গ্ৰন্থ 'মাজ নিশাৰ হাঁহি' অহা ৬ এপ্ৰিল, ২০২৫ তাৰিখে সাহিত্য সংস্কৃতি সাধনা মঞ্চ, অসম'ৰ তৃতীয় বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন, শতাব্দী ভৱন, তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণৰ মুকলি সভাত




আনুষ্ঠানিকভাৱে বিশিষ্ট ব্যক্তিৰ হাতেৰে উন্মোচন কৰিব। একেখন সভাতে মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদক নিৰঞ্জন বৰাৰ সম্পাদনাত প্ৰকাশিত অতি কমেও ২৫ খনৰো অধিক কাব্যগ্ৰন্থ, গল্প সংকলন, প্ৰৱন্ধ সংকলন, উপন্যাস মঞ্চৰ তৃতীয় বাৰ্ষিক কেন্দ্ৰীয় মুখপত্ৰ 'সাহিত্য বাখৰ' শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'শোণিত সুবাস' আদিকে ধৰি বিভিন্ন প্ৰকাৰৰ গ্ৰন্থ বিশিষ্ট ব্যক্তিৰ জৰিয়তে উন্মোচন হ'ব।

# উৎপাদিত হোৱা শাক-পাচলিত ৰাসায়নিক সাৰৰ প্ৰয়োগৰ প্ৰভাৱ ঃ এক আলোকপাত

■ **শংকৰ দেৱ**
দেৰগাঁও

আজিৰ সময়ত কিছুমান খেতিয়কে কেৱল মাত্ৰ মুনাফা অৰ্জনৰ বাবে অতি মাত্ৰাত ৰাসায়নিক সাৰ প্ৰয়োগ কৰি উৎপাদন কৰা শাক-পাচলি সমূহ স্বাস্থ্যসন্মত হয় নে নহয়, সেইটো সাৰৰ প্ৰকাৰ আৰু সঠিক পৰিমাণৰ ব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰে। সাৰ প্ৰয়োগ যদি সঠিক পদ্ধতিগত আৰু বিজ্ঞানসন্মতভাৱে কৰা হয়, তেন্তে ই স্বাস্থ্যসন্মত শাক-পাচলি উৎপাদনৰ ক্ষেত্ৰত এক সুন্দৰ পদক্ষেপ লোৱা বুলি ভবা হ'ব। কিন্তু কেৱল মুনাফা অৰ্জনৰ স্বাৰ্থৰে অতিৰিক্ত ৰাসায়নিক সাৰৰ ব্যৱহাৰ অথবা ভুল পদ্ধতিৰে প্ৰয়োগ কৰি উৎপাদন কৰা শাক-পাচলি স্বাস্থ্যৰ বাবে অত্যন্ত ক্ষতিকাৰক হৈ পৰিব পাৰে। সাৰ প্ৰয়োগৰ দ্বাৰা কৃষিক্ষেত্ৰত শাক-পাচলিৰ উৎপাদন বৃদ্ধি পায়, যাৰ ফলত মানুহৰ খাদ্যৰ চাহিদা পূৰণ কৰাটো সহজ হয়, কিন্তু সাৰৰ ব্যৱহাৰৰ সঠিক পদ্ধতি অনুসৰণ নকৰিলে ই স্বাস্থ্যৰ লগতে পৰিৱেশৰ ওপৰতো বিপদজনক প্ৰভাৱ পেলাব পাৰে। অত্যাধিক সাৰৰ ব্যৱহাৰে মাটিৰ উৰ্বৰা শক্তি, পৰিৱেশ আৰু মানুহৰ স্বাস্থ্যৰ ওপৰত দীৰ্ঘম্যাদী ক্ষতি সাধন কৰে। আজিৰ পৰিৱেশত বিশেষকৈ অধিক মুনাফা অৰ্জনৰ আশাত কিছুমানে অতিৰিক্তভাৱে সাৰৰ ব্যৱহাৰ কৰা দেখা পোৱা গৈছে যাৰ ফলত জনস্বাস্থ্য আৰু পৰিৱেশৰ বাবে সংকটৰ সৃষ্টি হৈ পৰিছে।

অতিমাত্ৰা ৰাসায়নিক সাৰৰ ব্যৱহাৰৰ বাবে হোৱা ক্ষতি সমূহৰ এক আলোকপাত। অতিৰিক্ত ৰাসায়নিক সাৰৰ ব্যৱহাৰ কৰি উৎপাদিত হোৱা শাক-পাচলিয়ে মানুহৰ স্বাস্থ্যৰ ওপৰত গভীৰ সংকটৰ প্ৰভাৱ পেলাব পাৰে। উদাহৰণ স্বৰূপে উৎপাদিত শাক-পাচলিত থকা ৰাসায়নিকৰ অৱশিষ্ট খাদ্যৰ সৈতে মানুহৰ দেহত প্ৰৱেশ কৰি বিভিন্ন ৰোগৰ সৃষ্টি কৰিব পাৰে, যেনেকৈ অধিক নাইট্ৰেটযুক্ত খাদ্য খোৱাৰ ফলত দীৰ্ঘকালীনভাৱে কেঞ্চাৰৰ আশংকা বৃদ্ধি পোৱা দেখা গৈছে । নাইট্ৰেটযুক্ত পানী খোৱাৰ ফলত শিশুসকলৰ 'নীল শিশুৰ ৰোগ' হোৱা দেখা পোৱা গৈছে। লিভাৰ আৰু কিডনীৰ ক্ষতিকাৰক পদাৰ্থ দীৰ্ঘদিন লিভাৰ আৰু কিডনিত জমা হৈ শৰীৰত বিভিন্ন ৰোগৰ সৃষ্টি কৰে। ঠিক সেইদৰে অতিৰিক্ত ৰাসায়নিক সাৰ মাটিৰ সৈতে মিলিত হৈ বৰষুণৰ পানীৰে ধুই পৰিৱেশত বিয়পি পৰি ব্যাপক প্ৰদূষণ সৃষ্টি কৰে। সাৰত থকা নাইট্ৰেট আৰু ফছফ'ৰাছ পানীত মিশ্ৰিত হৈ ভূগৰ্ভস্থ পানীৰ গুণগত মান হ্ৰাস কৰে। এই পদাৰ্থ থকা পানী খালে মানুহৰ শৰীৰৰ বহু ক্ষতি হয়। নদ-নদী, বিল- জলাশয়ত নাইট্ৰোজেন আৰু ফছফ'ৰাছ মিশ্ৰিত হোৱাৰ ফলত জলজ উদ্ভিদৰ অত্যাধিক বৃদ্ধি ঘটে যাৰ ফলত পানীত অক্সিজেনৰ অভাৱ হয় বাবে মাছ আৰু জল জীৱৰ যথেষ্ট ক্ষতি হোৱা দেখা পোৱা গৈছে।



এটি গুৰুত্বপূৰ্ণ বিষয় যে ৰাসায়নিক সাৰ প্ৰয়োগৰ পূৰ্বে মাটিৰ গুণাগুণ আৰু পুষ্টি উপাদানৰ অভাৱৰ দিশটো পৰ্যবেক্ষণ কৰাটো অত্যন্ত আৱশ্যক। মাটিৰ গুণগত মান যিকোনো কৃষি কাৰ্যৰ মূল আধাৰ। মাটিৰ গুণাগুণৰ ওপৰত ভিত্তি কৰিহে ৰাসায়নিক সাৰৰ পৰিমাণ নিৰ্ধাৰণ কৰিব লাগে। অতিমাত্ৰা ৰাসায়নিক সাৰৰ প্ৰয়োগে মাটিক অপৰিকল্পিতভাৱে নষ্ট কৰি দিয়ে লগতে ভৱিষ্যতলৈও মাটিৰ জৈৱ উপাদান কমাই মাটিৰ গুণাগুণ শেষ কৰি পেলায়। প্ৰাকৃতিক উপাদান আৰু অণুজীৱবোৰ ধ্বংস হয়, যিয়ে মাটিৰ উৰ্বৰা শক্তি শেষ কৰি দিয়ে। নাইট্ৰোজেনযুক্ত সাৰে মাটিৰ pH কমাই মাটিৰ গুণগত মান হ্ৰাস কৰি দিয়ে ফলত বহু গছপুলিয়ে মাটিৰ পৰা পুষ্টি শোষণ কৰিবলৈ অক্ষম হৈ পৰে।

দৰাচলতে ৰাসায়নিক সাৰৰ অত্যাধিক ব্যৱহাৰে পৰিৱেশৰ এক অপূৰণীয় ক্ষতি সাধন কৰে। যেনেকৈ নাইট্ৰাস অক্সাইড (এক গ্ৰীণহাউছ গেছ) মুক্ত হয়, যি জলবায়ু পৰিৱৰ্তনৰ অন্যতম কাৰণ। সাৰে মাটিৰ প্ৰাকৃতিক খাদ্য চক্ৰ নষ্ট কৰি উদ্ভিদ, কীট-পতংগ আৰু জীৱ-জন্তুৰ সকলোৰে ক্ষতি সাধন কৰে। অধিক সাৰ প্ৰয়োগ কৰি উৎপন্ন কৰা শাক-পাচলিৰ গুণগত মান হ্ৰাস কৰি দিয়ে ফলত ইয়াৰ স্বাদ আৰু পুষ্টিৰ গুণগত মানত বেয়া প্ৰভাৱ পৰে। অতিৰিক্ত নাইট্ৰোজেনযুক্ত সাৰে গছৰ অস্বাভাৱিক বৃদ্ধি ঘটায়, যাৰ ফলত গছবোৰ দুৰ্বল হয় আৰু অধিক কিট-পতংগৰ আক্ৰমণত পৰাৰ সম্ভাৱনা থাকে।

এটি মন কৰিবলগীয়া বিষয় যে অতিৰিক্ত ৰাসায়নিক সাৰৰ ওপৰত নিৰ্ভৰশীলতাৰ বাবে কৃষকৰ ব্যয়ৰ মাত্ৰাও বৃদ্ধি পায় যাৰ ফলত উৎপাদিত শাক-পাচলিৰ দাম বৃদ্ধি পায়। শেষত মাটিৰ গুণগত মান খহাই দিয়ে যাৰ ফলত পিছলৈ কৃষি উৎপাদন ক্ষমতা একেবাৰে হ্ৰাস হৈ যায়। এই ক্ষেত্ৰত কৃষকসকলক সঠিক সাৰৰ ব্যৱহাৰৰ বিষয়ে প্ৰশাসনে সচেতন আৰু সজাগ কৰাৰ বাবে বিভিন্ন আঁচনিৰ গ্ৰহণ কৰিব লাগে যাৰ ফলত কৃষক আৰু সাধাৰণ ৰাইজ সকলোৰে বহু উপকৃত হ'ব পাৰিব। সাধাৰণতে সামাজিকভাৱে কবলৈ হ'লে খেতিয়কে প্ৰাকৃতিক সাৰৰ ব্যৱহাৰ কৰাত গুৰুত্ব দিয়াটো অত্যন্ত প্ৰয়োজন।

সাৰ প্ৰয়োগত উপযুক্ত জ্ঞানৰ অতিকৈ প্ৰয়োজন কাৰণ মাটিত পুষ্টি উপাদান যেনে নাইট্ৰ'জেন, ফছফ'ৰাছ আৰু প'টাচিয়ামৰ অভাৱ পূৰণ কৰিবলৈ সাৰে বিশেষ ভূমিকা পালন কৰে যাৰ ফলত উৎপাদনৰ মাত্ৰা বৃদ্ধি আৰু পৰিমাণগত তথা গুণগতভাৱে উন্নত শাক-পাচলি উৎপাদনত সহায় হয়। কিন্তু এইবোৰ সুবিধা গ্ৰহণৰ বাবে সাৰৰ ব্যৱহাৰ সঠিক নিয়মৰ সৈতে হোৱা আৱশ্যক। সাৰ প্ৰয়োগে উৎপাদন বৃদ্ধি কৰে সেইয়া হ'লেও নিয়ম মানি যেনেকৈ সাৰ ব্যৱহাৰ কৰাৰ অন্তত প্ৰায় ২-৩ সপ্তাহ সময় দিলে সাৰ মাটিত মিশ্ৰিত হয় আৰু শাক-পাচলি খোৱাৰ স্বাস্থ্যসন্মত হ'ব। সাৰ প্ৰয়োগৰ উপযোগিতা সঠিক বিজ্ঞানসন্মত জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰে। খেতিয়কে পৰাপক্ষত সামাজিক দিশৰ প্ৰতি লক্ষ্য ৰাখি জৈৱিক সাৰৰ প্ৰয়োগ কৰাটোহে অত্যন্ত দৰকাৰী যিটো স্বাস্থ্যৰ বাবে আৰু পৰিৱেশৰ বাবে অধিক উপকাৰী হয়। এই পদ্ধতিত মাটিৰ গুণাগুণো ভৱিষ্যতলৈও উপযোগী হৈ থাকি যায়।

**ম'বাইল ঃ** ৭০০২৭-৮১৮৪১

# নেচেলচেল গোন্ধতেল

■ ডাঃ গিৰীন্দ্ৰ কুমাৰ নাথ
টাউন তেলিয়া গাঁও, নগাঁও

**মো**মায়েক বিলাক ভাগিনসকলৰ বাবে মুঠেই উপকাৰী প্ৰাণী নহয়। কি কংস মামা, কি শকুনি মামা সকলো একেই। ভালৰ জহত লাচিতে মোমায়েকক কাটি দুছেও কৰিছিলনে। এতিয়া কংস মামাও নাই, শকুনি মামাও নাই। কিন্তু হ'লে কি হ'ব এতিয়া থকা মোমাইদেউহঁতৰ কাণ্ড কাৰখানা দেখিলে তেওঁলোকে লাজহে পালেহেঁতেন। মোৰ নিজৰ মোমাইদেউৰ কথাটোকে ধৰকচোন। তেওঁৰ কাৰণেই ঘৰত গালি খাই খাই মোৰ জীনা হাৰাম হৈ গৈছে। আৰে বাবা, হ'লাই যেনিবা তুমি ডাক্তৰডাল পঢ়া শুনা কৰি। সেই বুলি অংগনবাড়ী স্কুল যাবলৈ আৰম্ভ কৰাৰ দিন ধৰি আজিলৈকে মাৰ সেই একেখনেই কেছেট। ননষ্টপ বাজি থাকে, 'মোমায়েৰে এনেকে পঢ়িছিল, মোমায়েৰে মেট্ৰিকত এনেকুৱা ৰিজাল্ট কৰিছিল, অমুকটো কৰিছিল, ভচুকটো কৰিছিল। মোমায়েৰৰ নিচিনা ভাল হ'ব লাগিব, ভাল ৰিজাল্ট কৰিব লাগিব।" একেসোপা গানকে শুনি শুনি টেমা নষ্ট হৈ যায়।

আজিকালি অৱশ্যে মোৰ কাণত এইবোৰ নোসোমায়। ডাঙৰ হ'লো নাঃ। হায়াৰ ছেকেণ্ডাৰীত দুটা বছৰ জিৰাই যোৱাবাৰ পিছে ক'ৰ'ণাৰ কৃপাত কলেজত নাম লেখাবলৈ সুবিধাটো পালো। প্ৰথম দুদিনমান ভালেই লাগিছিল কলেজলৈ গৈ। পিছে একে ক্লাছৰে সাগৰিকাক প্ৰপ'জ দিয়াৰ পিছৰ পৰা মোৰ কলেজ যাবলৈ লাজ লগা হ'ল। হ'ল বুলি লগৰ ল'ৰাৰ বাইকত বহাই তাইক আৰু কিমান ঘূৰাম। বুঢ়াক মানে পিতৃদেৱতাক কৈ আছো বাইক এখন দিবলৈ। পিছে বুঢ়াৰ বোলে পইচা নাই। মাতৃদেৱীৰ কথাটো আৰু জানেই, বোলে মোমায়েৰে তিনিমাইল বাট খোজকাঢ়ি স্কুললৈ গৈছিল। তোক এক ফাৰ্লং বাট যাবলৈ বাইক লাগে। এইহেন বুঢ়া-বুঢ়ীয়ে মোক বাইক দিব হ'ল আৰু।

ইয়াৰ মাজতে হঠাৎ ভমককৈ আশাৰ চাকি এগছি যেন জ্বলি উঠিল। আমাৰ মামাই বোলে ভাগিনীহঁতক স্কুটী দিয়াৰ নিচিনাকৈ এইবাৰ ভাগিনহঁতকো বাইক দিব। তাকো বুলেট। মামাৰ মুখত এইষাৰ যেন নিৰ্বাচনী ভাষণ নহয়, একেবাৰে অমৃত বাণী। কাষত পালে মামাৰ গালত সেইদিনা তপৰ তপৰকৈ একুৰিমান চুমাকে খালোঁহেতেন। হওঁক তেও, আমাৰ এইজনা মামাইহে যদি ভাগিনহঁতৰ দুখ বুজি পায়। সাগৰিকাক পিছৰ ছিটত বহুৱাই ফ'ৰলেনত অকাই পকাই ফুল স্পীডত বুলেট দৌৰাম, মাজে মাজে পিছৰ চকা দুফুট ওপৰলৈ উঠি যোৱাকৈ ব্ৰেক মাৰিম, মোৰ পিঠিত সাগৰিকা হাউলি পৰিব, উস্, ভাবিলেই কিবা এটা ভাল লাগি যায়। পেট্ৰলৰ দাম এশ হওঁক, দুশ হওঁক মোৰ কি আহে যায়। থ'ৰি না মোৰ নিজৰ পইচাৰে তেল ভৰাম। বুঢ়াক ভালকৈ দম দিলে দুশ চাৰিশ পায়েই থাকিম। আৰু সাগৰিকাৰ বুঢ়া বাপেকডালৰ পইচানো কোনে খাব। তাইক অলপমান মাস্কা মাৰিলেই হ'ল। পইছা আহি যাব। বুলেট এখন যদি সঁচাকৈ পাই যাওঁ, অহা পোন্ধৰ বছৰলৈ মামাকেই ভোট দি থাকিম। গেৰাণ্টী।

পিছে গেৰাণ্টী মইহে দিলোঁ, মামাই নিদিলে। বুলেট বাদেই দিয়ক, চাইকেল এখনো নাপালোঁ। পিছে মইয়ো হাৰি যোৱা ভকত নহয়। সাগৰিকাক মই হেৰুৱাব নোৱাৰোঁ। মই হেল্প নকৰিলে বুঢ়াৰ ইমান সম্পত্তি জীয়েকে অকলে উৰুৱাই শেষ কৰিব নোৱাৰিব। গতিকে ভৱিষ্যতৰ বাবে বুলেটখনৰ খৰচটো মোৰ ইনভেষ্টমেণ্ট বুলি ধৰি লৈছো। কলেজৰ ইউনিয়ন বডীৰ ইলেকচনত লগৰ আৰু ছিনিয়ৰ দাদা দুজনমানৰ হৈ লাগি দিছিলোঁ। বিনিময়ত টকা বিশ হাজাৰমান কিবাকে পকেটত সুমুৱাব পাৰিলোঁ। সাগৰিকাৰ পৰাও কেইহাজাৰমান সৰকাই থৈছো। আমাৰ বুঢ়াকো ভালকে দম দিলে বিশ পঁচিছ হাজাৰ মান উলিয়াই দিব ছাগৈ। মাম্মী ডাৰ্লিং মানে আমাৰ মাতৃদেৱীক ডাক্তৰ ভায়েকৰ কথা ভালৰি লগাই একেৰাহে সাদিনমান কৈ থাকিলেও কিবা অলপ ওলাব। পিছে সকলো মিলাইয়োচোন মোৰ সপোনৰ বুলেটখনৰ বাবে ত্ৰিছ হাজাৰ মান টকা কম হয়। ইফালে সাগৰিকাই দুদিনমানৰ পৰা পংকজৰ লগত বেছিকৈ হ'লি গ'লি কৰিবলৈ লৈছে। পংকজৰ নতুন কে টি এম্খনত উঠি কঁকালত দুইহাতেৰে মেৰিয়াই ধৰি বাইপাছৰ ধাবাত খাবলৈ যাবলৈ তাইৰ বাৰু কি দৰকাৰ আছিল? কিবা খং উঠিলে গজাল সুমুৱাই কে টি এম্ কেতিয়াবা পামচাৰ কৰি থম বাপ্পেকে মনে মনে।

বুলেটৰ চিন্তাত মোৰ ৰাতি ৰাতি টোপনি নহা হ'ল। কিবাকে টকা অলপ পোৱা হ'লে। সিদিনা ৰাতিও তেনেকৈয়ে বিছনাত ইকাটি সিকাটি কৰি পৰি আছিলোঁ। তেনেকুৱাতে শুনিলোঁ বাৰীৰ ফালে কেতেকী এজনীয়ে বউ কাকা ক'ত, বউ কাকা ক'ত কৰি বিনাই আছে। মেণ্ট'ছ খাই দিমাগ কি বত্তি জ্বলি যোৱাৰ নিচিনাকৈ কেতেকীৰ বিননিয়ে মোৰ দিমাগ কি বত্তি জ্বলাই দিলে। সাগৰিকা সাগৰিকা বুলি চিঞৰ মাৰি একেজাঁপে বিছনাৰ পৰা নামিলোঁ। আৰ্কিমিডিছে চিঞৰিছিল ইউৰেকা, ইউৰেকা। মই যেনিবা চিঞৰিলোঁ সাগৰিকা, সাগৰিকা। তাতেনো কি হ'ল? স্ফূৰ্তিতো লাগিবই নাঃ।

লগে লগে ভাইটিলৈ ফোন লগালোঁ। তিনিবাৰমান ৰিং হৈ হৈ বন্ধ হৈ গ'ল, নুঠালে। ৰাতি চাৰে এঘাৰ বজাত সি ক'ত আৰু সাৰ পাই থাকিব। বাবুলৈ ফোন কৰিলোঁ। দুবাৰৰ মূৰত সি ফোনটো উঠালে। টোপনিৰ জালতে সি মোক অবাইচ মাত এসোপামান মাতি কিয় ফোন কৰিছিলোঁ সুধিলে। বুজিলোঁ, এতিয়া ক'লেও তাৰ মূৰত একোডাল নোসোমায়। "হ'ব দে ৰাতিপুৱা লগ পাম" বুলি ফোনটো কাটি দিলোঁ। "-লা, কি কামোৰ বে" বুলি বাবুৱে ফোনৰ সিটো মূৰত কোৱা কথাষাৰত মই অৱশ্যে এনেয়ো মাইণ্ড নকৰো। বুলেটখনৰ কাৰণে সিমানখিনিটো সহ্য কৰিবই লাগিব ন।

অইন দিনা বুঢ়া অফিচলৈ যোৱাৰ পিছতহে মই সাৰ পাওঁ। আজি পিছে সোনকালে উঠিলোঁ। চাৰে আঠ বজাতে টোপনিৰ পৰা উঠি অহা পুত্ৰধনক দেখি মাম্মী ডাৰ্লিং অবাক্কৈদ হৈ গ'ল। বুঢ়াৰো চকু গৈ কপালত উঠিল। মোৰ কিন্তু এইবিলাক কথাত পাট্টা দিবলৈ মুঠেও সময় নাই। চকু মুখ ধুই টপাটপ ৰুটী দুখনমান গিলি চিধাই মোৰ গেহৰা দোষ্ট ভাইটিৰ ওচৰ পালোগৈ। ফোন কৰি বাবু, জিত, ৰন্টু আৰু দিগন্তকো মাতি পঠিয়ালোঁ। গোটেইকেইটা আহি পালে। গা ঘেলাই ফুৰাৰ বাদে সিহঁতকেইটাৰো একো কাম বন নাই। এনেকৈ গ্ৰুপ মিটিং হ'লে সিহঁতে ভালেই পায়। গতিকে অলপ পিছতে আটাইকেইটা আহি গোট খালেহি।

বাবুৱে আৰম্ভ কৰিলে, "অই ৰাতি কিয় ব'ৰ কৰিছিলি ক'?"

"কালি ৰাতি আমাৰ পিছফালৰ বাৰীত কেতেকীয়ে মাতিছিল"। মই ক'লোঁ।

"আৰু তাকে ক'বলৈ আমাক মাতি আনিছ? -লা" জিতে মোৰ মুখতে ধৰিলে।

"হেই, তহঁতৰ সঁচাকৈ মূৰত মাল নাই। কেতেকীয়ে বিনাইছে মানে কি? বিহু আহি পালেহিয়েই। খবৰ ৰাখিছ? আৰু কেইটা দিন আছে? বিহু ফাংচন পাতিব নালাগে? সেইটো আলোচনা কৰিবলৈকে মাতিছোঁ।"

বিহু ফাংচনৰ কথা শুনি আটাইকেইটা অলপ গহীন হ'ল। মই ক'লো, "বাবু, সন্ধিয়ালৈ লাইব্ৰেৰীত মিটিং এখন পাত। চবকে মাতি দিবি। ই ভাইটি সভাপতি হ'ব, চেক্ৰেটাৰী হিচাপে তহঁতে মোৰ নামটো প্ৰস্তাৱ কৰিবি। মই চেক্ৰেটাৰী হ'লে আজিৰ পৰা বিহু ফাংচন শেষ হোৱা দিনালৈকে তহঁতকেইটাৰ সন্ধিয়াৰ খৰচ মোৰ। এইবাৰ কিন্তু কালেকচন বেছিকৈ কৰিব লাগিব। ভাল আৰ্টিষ্ট এজন আনিব পাৰিলে ৰাইজেও চান্দা দিবলৈ বেয়া নাপায় (বেয়া পালেও অৱশ্যে চান্দা দিবই লাগিব)। যদি প্লেনিং চাকচেছফুল হয়, ৰাতিৰ কাৰণে দুইকেজি ব্ৰইলাৰ মই এতিয়াই চেংচন কৰি থ'লোঁ"।

সন্ধিয়াৰ মিটিঙত আমাৰ প্লেনিং মতেই সকলো ঠিক হ'ল। ৰছিদ বহী দুখনমান চপাবলৈ মোৰ পৰাই এতিয়া টকা কেইটামান দিম বুলি ক'লো। ব্যৱসায়ত পইচাতো খটুৱাবই লাগিব ন। ৰছিদ বহী আৰু প্ৰচাৰ পত্ৰিকাখিনি প্ৰেছৰ পৰা আহি পালেই জোৰদাৰ চান্দা তুলিবলৈ ল'ৰাকেইটাক লগাই দিব লাগিব।

মনটো মোৰ এইকেইদিন বৰ ভাল। বুলেটখনৰ পইচাটো এইবাৰ মিলিবগৈ যেন লাগিছে। বুলেটখন কিনিব পাৰিলেহে মই বিহু সমিতিৰ সম্পাদক হোৱাটো সাৰ্থক হ'ব।

পিছে মোৰ কপালখনেই ফুটা। দাতাই দিলেও বিধাতাই নিদিয়ে। ইমান কষ্ট কৰি চেক্ৰেটাৰী হৈছিলোঁহে। দিলেনে মামাই শেলপাত বুকুতে বহুৱায়। কি ভাবিছিলোঁ, আৰু কি হ'লগৈ। মামাই সকলো পণ্ড কৰি পেলালে। মই নকৈছিলোঁ নে মোমায়েকবিলাক ভাগিনহঁতৰ কাৰণে বৰ উপকাৰী জীৱ নহয় বুলি। এইজন মামাইয়ো কথাটো সঁচা বুলি প্ৰমাণ কৰি দিলে। চাল্লা, বিহুত বোলে আৰু চান্দা তুলিব নোৱাৰে। একেবাৰে আইন বনাই দিছে। চান্দা তুলিলে বোলে চিধাই জেলত যাব লাগিব। আৰে চান্দা নুতুলিলে বিহু ফাংচন কেনেকৈ পাতিম? আৰু চান্দাই যদি তুলিব নোৱাৰোঁ, ইমান খৰচ পাতি কৰি চেক্ৰেটাৰীডাল মই কিয়নো হ'লোঁ। মই এতিয়া কি কৰোঁ আপুনিয়েই কওকচোন। "ইয়াতকৈ বেদনা লাগেনে ঐ জানমনি" বুলি ট্ৰেজেডী ফলাৰ বাহিৰে ।

মামা, মামা, মামা। এই মামায়েই মোৰ লাইফ বৰ্বাদ কৰি পেলালে। ভাইটি, বাবুহঁতক এইকেইদিন সন্ধিয়া সন্ধিয়া সিবিধ খুউৱাৰ নামতেই পকেট উদং কৰিলোঁ। এতিয়া সেইকেইটা ক'ৰ পৰা পাম? বুলেট গ'ল, সাগৰিকাও যাবগৈ। চাল্লা চব শেষ মোৰ। সকলো নেচেল। চব নেচেলচেল গোন্ধতেল।

**ম'বাইল ঃ ৯৮৫৯১-২৯৮৯৫**

# ইউনাইটেড পিপ'লছ ফ'ৰামৰ উদ্যোগত ইফটাৰ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** এতিয়া ৰমজান মাহ। ৰমজান মাহৰ গধূলি ইফটাৰ অনুষ্ঠিত হয়। অসমৰ আৰ্থ - সামাজিক সংগঠন ইউনাইটেড পিপু'লছ ফ'ৰামৰ উদ্যোগত নগাঁৱৰ প্ৰণৱ বৰুৱা কলাক্ষেত্ৰত ইফটাৰ পাৰ্টীৰ আয়োজন কৰা হয়। ফ'ৰামৰ গৌতম ভট্টাচাৰ্যই আঁতধৰা অনুষ্ঠানত বিধায়ক ৰূপক শৰ্মা, নগাঁও প্ৰথম পৌৰসভাৰ উপপৌৰপতি সীমান্ত বৰা, সাহিত্যিক পৰাণ কুমাৰ বৰুৱা, কবি - চিকিৎসক ডাঃ প্ৰয়াগ শইকীয়া, সাংবাদিক কনক হাজৰিকা, সমাজকৰ্মী দেৱাজ আকবৰ, ফ'ৰামৰ সভাপতি ৰাতুল নেওগ, সম্পাদক সুৰজিৎ দাসৰ লগতে চিকিৎসক ডাঃ জিয়াউল হক, কাইছাৰ ইছলাম আদিয়ে অংশগ্ৰহণ কৰে।

# বৃহত্তৰ পছৰীয়া হিতসাধিনী সভাৰ অন্তৰ্গত পছৰীয়া কলা-কেন্দ্ৰৰ উদ্যোগত বিহুনৃত্য আখৰা (কৰ্মশালা)ৰ আয়োজন

**নৃপেন ডেকা, দদৰা ঃ** কামৰূপ জিলাৰ পছৰীয়া গাঁৱৰ সামাজিক সংগঠন বৃহত্তৰ পছৰীয়া হিতসাধিনী সভাৰ অন্তৰ্গত পছৰীয়া কলা-কেন্দ্ৰৰ উদ্যোগত বিগত দুই বৰ্ষৰ দৰে অহা ০৬ এপ্ৰিল, ২০২৫ ইং তাৰিখৰ পৰা ১৩ এপ্ৰিল, ২০২৫ ইং তাৰিখলৈ পছৰীয়া কুশল কোঁৱৰ উচ্চ-মাধ্যমিক বিদ্যালয় খেলপথাৰত এটি বিহুনৃত্য আখৰা অনুষ্ঠান (কৰ্মশালা) অনুষ্ঠিত হ'ব। উক্ত অনুষ্ঠানত প্ৰশিক্ষক হিচাপে কেইবাগৰাকী অভিজ্ঞ বিহুৱা আৰু বিহুৱতী উপস্থিত থাকিব। প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

# মুকতাৰ আলীৰ কাব্যগ্ৰন্থ 'নীলিম'

■ কৃষ্টিনা গগৈ

**'মুকতাৰ আলী'** অসমীয়া কাব্য জগতৰ এটি নতুন নাম। ধুবুৰীত জন্মগ্ৰহণ কৰা মুকতাৰ যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসা বিজ্ঞানৰ এজন ছাত্ৰ। গতিকে স্বাভাৱিকতেই চিকিৎসা বিজ্ঞানৰ দৰে অত্যন্ত জটিল বিষয় এটাত অধ্যয়নৰত হৈও, অসমীয়া সাহিত্যৰ কাব্য জগতখনলৈ নতুন নতুন সৃষ্টিৰ জৰিয়তে অৱদান আগবঢ়াই যোৱা মুকতাৰ সঁচাকৈয়ে প্ৰশংসাৰ পাত্ৰ।

কবিতাৰ উপৰিও মুকতাৰৰ বিভিন্ন ধৰণৰ স্বাস্থ্য সম্পৰ্কীয় লেখা অসমৰ কেইবাখনো বাতৰি কাকতত প্ৰকাশ পাই আহিছে। ইতিমধ্যে তেওঁৰ দ্বাৰা ৰচিত দুখন কাব্য গ্ৰন্থ প্ৰকাশ পাইছে, 'নীলিম(২০২২)' আৰু 'তেজৰ চেঁকুৰা (২০২৩)'। 'নীলিম' তেওঁৰ দ্বাৰা ৰচিত প্ৰথম কাব্যগ্ৰন্থ। ২০২৫ৰ ফেব্ৰুৱাৰীত দ্বিতীয় সংস্কৰণ প্ৰকাশ পোৱা নীলিম কাব্যগ্ৰন্থৰ কাব্য বিন্যাস যথেষ্ট সহজ-সৰল তথা সকলো শ্ৰেণীৰ পাঠকেই বুজিব পৰা ধৰণৰ। গ্ৰন্থখনত লেখকে কবিতাসমূহৰ মাধ্যমেৰে অত্যন্ত সৰল ভাষাৰে প্ৰেম, নিৰাশা, সুখ, দুখ ইত্যাদি অনুভৱসমূহ পৰিস্ফূট কৰিছে। জীৱনৰ বিভিন্ন পৰিস্থিতিত, ভিন্ন ধৰণে অনুভৱ কৰা আৱেগসমূহেই মুকতাৰৰ কবিতাৰ মূল উৎস তথা কবিতাসমূহৰ প্ৰকাশভংগীও অত্যন্ত সুন্দৰ। জীৱনৰ প্ৰতি এক ধনাত্মক দৃষ্টিভংগী দেখা পোৱা নীলিমৰ কবিতাসমূহৰ মাধ্যমেৰেই লেখকৰ মন-মগজু তথা আত্মাৰ অন্তৰ্নিহিত সুন্দৰতাৰ আভাস পাব পাৰি।

মুকতাৰৰ কবিতাসমূহ অতি দীঘলীয়াও নহয়, সামান্য কথাৰ মাধ্যমেৰেই কবিৰ মন-মগজুৰ অন্তৰ্ভাগত ক্ৰিয়া কৰি থকা সংবেদনশীল অনুভূতিসমূহক এখন পূৰ্ণাংগ প্ৰতিচ্ছবিৰ ৰূপত জনমানসত চিত্ৰিত কৰিব পৰাৰ কলা তেওঁৰ কবিতাসমূহত আছে। এইয়াই কবি হিচাপে মুকতাৰৰ সাৰ্থকতা। তেওঁৰ পুৰণি কবিতা আৰু বৰ্তমানৰ কবিতাসমূহৰ মাজত পাৰ্থক্য দেখা যায়। মুকতাৰে বৰ্তমানৰ কবিতাসমূহত কেৱল ছন্দ তথা গঠনশৈলীত গুৰুত্ব আৰোপ নকৰি, শব্দৰ উচিত প্ৰয়োগ আৰু প্ৰকাশভংগী উন্নত কৰাটো এক অত্যন্ত ধনাত্মক দিশ। অৱশ্যে তেওঁৰ কবিতাসমূহত এতিয়াও উচ্চ ভাৱসম্পন্নতাৰ সামান্য অভাৱ দেখা পোৱা যায়। তথাপিও এজন নতুন কবি হিচাপে মুকতাৰৰ এই কাব্যিক যাত্ৰা শলাগিবলগীয়া।

**ম'বাইল ঃ ৮৭৬১৮-৩৫৯১২**



# আমিনগাঁৱত পৰেশ বৈশ্য ৰচনাৱলী উন্মোচন



**দিলীপ মেধি, শুৱালকুছি ঃ** বিশিষ্ট লেখক-সাংবাদিক, শিক্ষাবিদ পৰেশ বৈশ্যৰ চাৰিটা খণ্ডত প্ৰকাশ পাব লগা নিজস্ব ৰচনাসমূহৰ প্ৰথম খণ্ডটো ২৬ মাৰ্চত ৬২ নং আমিনগাঁও প্ৰাথমিক বিদ্যালয়ত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয়। আৰম্ভণিতে অনুষ্ঠানৰ উদ্দেশ্যে ব্যাখ্যা কৰি পৰেশ বৈশ্যই কয় যে 'পৰেশ বৈশ্য ৰচনাৱলী'ৰ প্ৰথম খণ্ডটো তেখেতৰ শিশু সাহিত্যৰ সম্ভাৰ। তেখেতে কয় যে এই ৰচনাৱলীখন অসমৰ ৰাজহুৱা পুথিভঁৰাল, আগশাৰীৰ ব্যক্তিগত পুথিভঁৰাল আৰু পৰেশ বৈশ্য ফাউণ্ডেচনৰ পোহৰ বিদ্যালয়লৈ উপহাৰ হিচাপে প্ৰেৰণ কৰা হৈছে। পৰৱৰ্তী খণ্ড তিনিওটা এনেদৰে সংশ্লিষ্ট সকললৈ পঠিওৱা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। বজাৰত বিক্ৰীৰ বাবে ৰচনাৱলীখন প্ৰকাশ কৰা নাই বুলি তেওঁ মন্তব্য কৰে। বৈশ্যই নিজৰ পেঞ্চনৰ ধনেৰে সম্পূৰ্ণ ত্যাগৰ মনোভাৱেৰে এই কাম সম্পন্ন কৰা বুলি জানিবলৈ দিয়ে। ড° দয়ানন্দ পাঠকৰ সম্পাদনাত ওলোৱা এই গ্ৰন্থখন উন্মোচন কৰে শিশু-সাহিত্যিক ৰজত ভৰালীয়ে। গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত ভৰালীয়ে কয় যে শিশু সাহিত্যই হ'ল সাহিত্যৰ পৃথিৱীখনৰ প্ৰাণ স্বৰূপ। অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত পৰেশ বৈশ্যৰ শিশু সাহিত্যই এক বিশেষ স্থান অধিকাৰ কৰি আছে বুলি তেখেতে মন্তব্য কৰে। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ ড° দয়ানন্দ পাঠকে সন্মানিত অতিথি হিচাপে ভাষণ দি কয় যে অসমীয়া সাহিত্যৰ ভালেমান মূল্যৱান গ্ৰন্থ সংৰক্ষণৰ অভাৱত হেৰাই গৈছে। একোগৰাকী লেখকৰ ৰচনাৱলী প্ৰকাশৰ যোগেদি গ্ৰন্থ সংৰক্ষিত হয় বুলি তেখেতে মন্তব্য কৰে। উক্ত অনুষ্ঠানত কামৰূপৰ জিলা আঁচনি বিষয়া ফুলপাহি নাথ, শিশু -আলোচনী 'মৌ- মেল'ৰ সম্পাদক কিৰণ দাস আৰু ৬২ নং আমিনগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ভানুমতী নাথে আমন্ত্ৰিত অতিথি হিচাপে ভাগ লৈ পৰেশ বৈশ্যৰ ব্যতিক্ৰমী প্ৰয়াসৰ শলাগ লয়। অনুষ্ঠানত অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসূদন মেধি, কামৰূপৰ জ্যেষ্ঠ সাংবাদিক ক্ৰমে ৰূপক ডেকা, মুনীন ডেকা প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# নগাঁৱৰ মৰিকলং আৰু কছলুখোৱাৰ সংযোগী দলং আনুষ্ঠানিক ভাৱে মুকলি



**বিশেষ সংবাদদাতা, নগাঁও ঃ** উন্নয়নৰ দিশে এখোজ আগুৱাই যোৱা বৰ্তমান বিজেপি চৰকাৰখনে সমগ্ৰ অসমৰ লগতে নগাঁও জিলাতো উন্নয়নৰ জয়যাত্ৰা অব্যাহত ৰাখিছে। নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা আৰু স্থানীয় ৰাইজৰ প্ৰচেষ্টাত ৩৬ নং ঘাইপথৰ কাষতে লাগি থকা মৰিকলঙৰ পৰা কছলুখোৱালৈ যোৱা দলংখন আনুষ্ঠানিকভাৱে মুকলি ৰাইজৰ বাবে মুকলি কৰা হয়। জানিব পৰা মতে দলং খনৰ যাতায়তৰ ব্যৱস্থা সুদীৰ্ঘ বহু দিন ধৰি বন্ধ হৈ আছিল। কিন্তু নগাঁৱৰ সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ প্ৰচেষ্টাত পুনৰ দলং খনৰ যাতায়তৰ ব্যৱস্থা সজীৱ হৈ পৰে। ইয়াত আৰত আছে চৰকাৰখনৰ কৰ্মৰ প্ৰতি থকা নিষ্ঠা আৰু একাগতা। এই দলংখনৰ মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰি বিধায়ক শৰ্মাই কয়- দলংখনে সুদীৰ্ঘ বাইছ বছৰৰ মূৰত পুনৰ ৰাইজৰ যাতায়তৰ বাবে পূৰ্ণাংগ কৰি তোলা হৈছে। এয়া আমাৰ বাবে গৌৰৱৰ কথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালত নগাঁও চহৰখন আৰু জাকতজিলিকা কৰি তুলিবলৈ মোৰ প্ৰচেষ্টা সদায় অব্যাহত থাকিব। মৰিকলঙত কৰিব লগীয়া কাম আৰু বহু আছে। সেই সকলো কাম পৰ্যায় ক্ৰমে মই সমাধা কৰিম বুলি কৈ স্থানীয় ৰাইজৰ লগতে সমগ্ৰ নগাঁওবাসী ৰাইজলৈ এক ইতিবাচক মতামত আগবঢ়ায়। উল্লেখ যে মুকলি অনুষ্ঠানত নগাঁও গড়কাপ্তানি বিভাগৰ কাৰ্যবাহী অভিজন্তা মৃণাল বৰা, নগাঁও পৌৰসভাৰ ২৪ নং পৌৰ আয়ুক্ত ৰূপালী শইকীয়া, ২৫ নং পৌৰ আয়ুক্ত সুনীয়া দত্তকে আদি কৰি ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# 'দৃশ্যপট শিৱসাগৰ'ৰ বিশেষ নাট 'চাণক্যৰ শপত'ৰ শুভ মহুৰত অনুষ্ঠান



**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ ঃ** শিৱসাগৰ নগৰৰ উদীয়মান সাংস্কৃতিক আৰু সামাজিক সংস্থাৰূপে পৰিচিত 'দৃশ্যপট শিৱসাগৰ'ৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে প্ৰয়াত অচ্যুত ভট্টাচাৰ্য্য সোঁৱৰণী নাট্যসন্ধিয়াত অসমৰ বিশিষ্ট নাট্যকাৰ ড° মণি পাঠকৰ ৰচনা 'চাণক্যৰ শপত' নাটকখন শুভ মহুৰত হয় আমোলাপট্টিস্থিত হিন্দু ধৰ্ম্মসভা নামঘৰ প্ৰেক্ষাগৃহত ২৪ মাৰ্চ তাৰিখে। উক্ত অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে শিৱসাগৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° প্ৰকাশ কটকী, শিৱসাগৰৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰতীম শৰ্মা, জ্যেষ্ঠ নাট পৰিচালক প্ৰশান্ত শৰ্মা, বৃহত্তৰ শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি মনোজ কুমাৰ বৰঠাকুৰ, জ্যেষ্ঠ সমাজকৰ্মী অৰবিন্দ বৰুৱাৰ লগতে অঞ্জন কুমাৰ বৰুৱা, ৰত্নমণি শৰ্মা আৰু বিশ্ব খনিকৰে। জ্যেষ্ঠ নাগৰিক তথা অসম নাট্য সন্মিলন, শিৱসাগৰ শাখাৰ উপদেষ্টা অনঙ্গ মোহন শৰ্মাই নাৰিকল ভাঙি আখৰাৰ শুভ আৰম্ভণি কৰে। 'চাণক্যৰ শপত' শীৰ্ষক নাটকখন চাণক্য বিষয়ক অসমীয়া ভাষাৰ প্ৰথমখন নাটক বুলি নাট্যকাৰ ড° মণি পাঠকে অনুভৱ ব্যক্ত কৰাৰ লগতে আজিৰ সমাজত চাণক্যৰ দৰে বিদ্বান ব্যক্তিৰ নীতি কিমান প্ৰয়োজন সেই কথা সুন্দৰভাৱে নাটকখনত প্ৰকাশ পাইছে বুলি কয়। নাট্যকাৰ ড° মণি পাঠক আৰু ৰূপম বেজবৰুৱাই পৰিচালনাৰ দায়িত্ব লৈ নাটকখনক অন্য এক মাত্ৰা প্ৰদান কৰিবলৈ প্ৰয়াস কৰিছে। এই নাটকখনিত 'দৃশ্যপট শিৱসাগৰ'ৰ শিল্পীসকলৰ লগতে বহুতো ন-পুৰণি অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰিব আৰু অহা ৪ মে', দেওবাৰে 'হিন্দু ধৰ্ম্মসভা নামঘৰৰ সৌজন্যত' এই বিশেষ নাটকখন প্ৰদৰ্শন কৰা হ'ব বুলি সম্পাদক অভিনৱ দেৱ কাশ্যপে জানিবলৈ দিয়ে। সভাত অসম নাট্য সন্মিলন, শিৱসাগৰ শাখাৰ সভাপতি তথা সাংবাদিক অমৃত কুমাৰ শৰ্মা, উপদেষ্টা দীপক বৰঠাকুৰ, সম্পাদক পৰী শইকীয়া, সহকাৰী সম্পাদক স্মৃতি শৰ্মা, প্ৰচাৰ সম্পাদক ত্ৰিবেণী কাকতি, পাৰ্থ প্ৰতীম শৰ্মা, স্বপ্নালী শৰ্মা ভট্টাচাৰ্য্য, ববী কাকতি আদিৰ লগতে কেইবাগৰাকী নাট্যকৰ্মী উপস্থিত থাকে।

# শোণিতপুৰৰ খনামুখত উত্তৰ-পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থা (নেমছু)ৰ উদ্যোগত ৰাজহুৱা ইফতাৰ সম্পন্ন




**চন্দন শৰ্মা, তেজপুৰ ঃ** শোণিতপুৰৰ খনামুখস্থিত কেকোকুলি নেপালী ঈদগাহ প্ৰাঙ্গণত উত্তৰ-পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থা, নেমছু শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত বালিপৰা আঞ্চলিক সমিতিৰ সহযোগত ৰাজহুৱা ইফতাৰ মেহফিল সম্পন্ন। মঙলবাৰে বিয়লি পাঁচ মান বজাত সমন্বয় সম্প্ৰীতি আৰু সাতামপুৰুষীয়া ভাতৃত্ববোধৰ এনাজৰী অটুট ৰখাৰ উদ্দেশ্যেৰে সমূহীয়া ইফটাৰ পালন কৰে। উল্লেখ্য যে ইছলাম ধৰ্মৰ পাঁচটা মূল ভেটিৰ অন্যতম হৈছে ৰমজান মাহৰ ৰোজা। ৰোজা বা ব্ৰত পালন কৰা প্ৰতিজন মুছলমানৰ বাবে অপৰিহাৰ্য পালনীয় কৰ্তব্য। চলিত ৰমজান মাহত মুছলমানসকলে আল্লাহৰ মহান হুকুম পালনাৰ্থে দিনটো উপবাসে থাকি ৰোজা পালনৰ দৰে কঠিন সাধনা কৰি আছে। গোটেই দিনটো ভোকে-পিয়াহে থাকি ৰোজা বা ব্ৰত পালনৰ অন্তত ৰোজাদাৰসকলে সূৰ্য্য অস্ত যোৱাৰ লগে লগে পানী, চৰবত, খেজুৰ বিভিন্ন ফল-মূল আদি নানা ধৰণৰ সুস্বাদু খাদ্যৰ দ্বাৰা ইফতাৰ গ্ৰহণ কৰি ৰোজা ভঙ্গ কৰে। উত্তৰ-পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থা, নেমছুৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি আজনুৰ হুছেইনে আঁত ধৰা উক্ত পবিত্ৰ অনুষ্ঠানত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে মহাজাতি টুৱেন্টি ফ'ৰ লাইভ চেনেলৰ স্বত্বাধিকাৰ তথা মানৱ অধিকাৰ আয়োগৰ সঞ্চালক ড° পৰশমণি সিংহ, খনামুখ মডেল একাডেমিৰ অধ্যক্ষ দুৰ্গা শৰ্মা, বিশিষ্ট সমাজসেৱক মোহন উপাধ্যায়ৰ লগতে বহুকেইজন গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

# নগাঁৱত নকল সোণৰ নাওসহ দুজন গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও আৰক্ষীয়ে এক গোপন সূত্ৰৰ পমখেদি বিয়লি নগাঁও চহৰৰ খুটিকটীয়া-বৰভেটি সংযোগী পথত দুখন নকল নাওসহ দুজন যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নগাঁও নগৰ আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত যোৱা আৰক্ষী দলে গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই এই সফলতা লাভ কৰে। আৰক্ষী সূত্ৰৰ পৰা জনা মতে বিহাৰৰ দুজন লোকক নকল সোণৰ নাও বিক্ৰী কৰাৰ প্ৰস্তুতি চলোৱাৰ থাকোঁতেই আৰক্ষীয়ে নকল সোণৰ ব্যৱসায়ী যুৱক দুজনক গ্ৰেপ্তাৰ কৰে। নগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত হেৰাপট্টীৰ বাহাৰুল ইছলাম (২৪) আৰু ৰচিদুল হক (২৬) নামৰ নকল সোণৰ ব্যৱসায়ী দুজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি নগাঁও সদৰ থানাত জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে এই দুই যুৱ ব্যৱসায়ীয়ে দীৰ্ঘদিন ধৰি নকল সভাত সোণৰ ব্যৱসায় কৰি বহিঃৰাজ্যৰ একাংশ লোকক প্ৰৱঞ্চনা কৰি আহিছে।




Janasanyog RO no 5060/24/28-Mar-25

# তিনিচুকীয়াৰ বাৰেকুৰিত উত্তৰ-পূব মণ্ডল জুনিয়ৰ খো-খো প্ৰতিযোগিতা




**খেল প্ৰতিনিধি, তিনিচুকীয়া ঃ** দ্বিতীয় উত্তৰ-পূব মণ্ডল জুনিয়ৰ খো-খো প্ৰতিযোগিতা ল'ৰাৰ সাতখন ৰাজ্য, ছোৱালীৰ ছয়খন ৰাজ্যই অংশগ্ৰহণ কৰে পুৰুষ বিভাগত অসমে অৰুণাচলক ১৮-১৬ পইণ্ট আৰু ওৱান তানৰ ব্যৱধানত পৰাস্ত কৰি চূড়ান্ত খেলত উপনীত হয়। আনহাতে ছোৱালী বিভাগত প্ৰথমখন চেমি ফাইনেল মণিপুৰ ত্ৰিপুৰাৰ মাজত অনুষ্ঠিত হয়। সেই খেলখনত মণিপুৰে ত্ৰিপুৰাক ২৬-৬ পইণ্টত আৰু ওৱান টান লাভ কৰি চূড়ান্ত খেলত উপনীত হয়। ল'ৰা বিভাগত দ্বিতীয়খন চেমি ফাইনেল খেলখন অনুষ্ঠিত হয়। মণিপুৰ ত্ৰিপুৰাৰ মাজত হোৱা খেলখনত মণিপুৰে ৪০-১৬ পইণ্ট পৰাস্ত কৰি চূড়ান্ত খেল খেলাৰ যোগ্যতা অৰ্জন কৰে। আনহাতে ছোৱালী শেষৰখন চেমি ফাইনেলত অসম মেঘালয় মাজত অনুষ্ঠিত হয়। অসমে ৩৪-০৪ পইণ্ট পৰাস্ত কৰি মণিপুৰৰ লগত চূড়ান্ত খেল খেলা যোগ্যতা অৰ্জন কৰে। ল'ৰা বিভাগৰ অৰুণাচল আৰু ত্ৰিপুৰাৰ মাজত তৃতীয় স্থানৰ খেলখনৰ বাবে হোৱা খেলখনত অৰুণাচলে ত্ৰিপুৰাক ১৬-১২ পইণ্টত পৰাস্ত কৰি তৃতীয়া স্থান, অৰুণাচল চতুৰ্থ স্থান ত্ৰিপুৰা। আনহাতে ছোৱালীৰ ত্ৰিপুৰা আৰু মেঘালয়ৰ মাজত হোৱা খেলখনত ত্ৰিপুৰা ৭-৪ পইণ্ট মেঘালয়ক পৰাস্ত কৰি ত্ৰিপুৰা তৃতীয় স্থান, মেঘালয় চতুৰ্থ স্থান লাভ কৰে। ল'ৰা বিভাগত মণিপুৰে অসমক ৩২-২৮ আৰু ওৱান তানত হৰুৱাই মণিপুৰ প্ৰথম আৰু অসম দ্বিতীয় হয়। আনহাতে ছোৱালী বিভাগত ৩৪-৩২ পয়েন্ট আৰু ৩ মিনিটত হৰুৱাই ছোৱালী বিভাগত অসম প্ৰথম আৰু মণিপুৰ দ্বিতীয় হয়। এই খেলখনত ভাৰতীয় খো-খো ফেডাৰেচনৰ সম্পাদক প্ৰধান M.S. Tagi. অৰ্থ ইষ্ট জোনৰ সভাপতি ৰাজীৱ প্ৰকাশ বৰুৱা, সাধাৰণ সম্পাদক মধুসূদন সিংহ উপস্থিত থাকে।

# শুৱালকুছি সনাতন বালিকা প্ৰাথমিক বিদ্যালয়ত 'অকণিৰ জেউতি' উন্মোচন



**দিলীপ মেধি, শুৱালকুছি ঃ** সাম্প্ৰতিক সময়ত সন্তান আপডালৰ বিসংগতিৰ বাবে বহুতো শিশু অবাটে গৈছে। সন্তানক সময় দিব নোৱৰাটো অভিভাৱকৰ বাবে এক বৃহৎ ব্যৰ্থতা। সন্তানক সদায় সৃষ্টিশীল কামৰ বাবে আমি অনুপ্ৰাণিত কৰা উচিত। সৃষ্টিশীল কামে শিশুমনক সমৃদ্ধ কৰে। ২৬ মাৰ্চত শুৱালকুছি সনাতন বালিকা প্ৰাথমিক বিদ্যালয়ে বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলৰ লেখনিৰে সমৃদ্ধ গ্ৰন্থ 'অকণিৰ জেউতি' উন্মোচন কৰি কামৰূপৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কুমাৰ কলিতাই এইদৰে কয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰশান্ত দাসৰ সভাপতিত্বত অনুষ্ঠিত উক্ত গ্ৰন্থ উন্মোচনী সভাত তেওঁ আৰু কয় যে শিক্ষাৰ্থীসকলৰ সৃষ্টিৰাজিক গ্ৰন্থ আকাৰে প্ৰকাশ কৰি শুৱালকুছি সনাতন বালিকা প্ৰাথমিক বিদ্যালয়ে আনে নকৰা এটা কাম কৰি সকলোৰে আদৰ্শ হ'ব পাৰিছে। তেওঁ বিদ্যালয়খনত এক যোগাত্মক পৰিৱেশ থকা বুলিও মন্তব্য কৰে। সভাত সন্মানিত অতিথি হিচাপে ভাগ লৈ বিশিষ্ট শিক্ষাবিদ, লেখক-সাংবাদিক পৰেশ বৈশ্যই কয় যে সনাতন প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ্থীক সৰ্বাংগীন বিকাশৰ অনুশীলন চলে। তেওঁ আৰু কয় যে অকণিৰ জেউতি প্ৰকাশৰ জৰিয়তে বিদ্যালয়খনে শিক্ষাৰ্থীসকলক সাহিত্যৰ কঠীয়া থলীত সৃষ্টিৰ বীজ ৰোপণৰ সুযোগ দিছে। তেওঁ কয় যে এই বিদ্যালয়খনৰ উত্তৰণৰ বাবে পৰেশ বৈশ্য ফাউণ্ডেচনে ডায়েৰী লিখা কাৰ্যসূচী ৰূপায়ণ কৰিছে। অনাগত দিনত ন্যাসে বিদ্যালয়খনত কৃত্ৰিম বুদ্ধিমত্তাৰ অনুশীলন কেন্দ্ৰ এটি মুকলিৰো ব্যৱস্থা কৰিব বুলি জনায়। অনুষ্ঠানত শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যাপক অতুল চন্দ্ৰ দাসে কয় যে শিশু গ্ৰন্থৰ সম্পাদনা এক জটিল কাম। শিশুৰ গ্ৰন্থ সদায় শুদ্ধ ৰূপত উপস্থাপনৰ ওপৰত তেওঁ গুৰুত্ব দিয়ে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত বেংক বিষয়া ৰবীন পাঠকেও দুটাৰ কয়। আৰম্ভণিতে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী শেৱালী বৈশ্যই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানত ৰীতি পুথিভঁৰালৰ তত্বাৱধায়ক বিকাশ কুমাৰ কলিতা,পূৰ্ণিমা দাস বৈশ্য, অৱসৰপ্ৰাপ্ত শিক্ষক ভূপেন দাস, শিক্ষক সনাতন বৈশ্য, প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত ছাত্ৰীসকলে গীত, নৃত্য পৰিৱেশন কৰে।

# মিৰ্জাত ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়া পাঠ্যপুথি বিতৰণ

## ছাত্ৰ-ছাত্ৰীক দায়িত্বশীল নাগৰিক হ'বলৈ আহ্বান প্ৰধান শিক্ষক অনিল কলিতাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী ঃ** ৰামপুৰ প্ৰাথমিক শিক্ষাখণ্ড বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত নতুন শিক্ষাবৰ্ষৰ বাবে সোমবাৰে মিৰ্জাস্থিত ৰামপুৰ প্ৰাথমিক শিক্ষাখণ্ডৰ বিষয়াৰ কাৰ্যালয় চৌহদত বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ কাৰ্যসূচী শুভাৰম্ভণি কৰে পলাশবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ড° অংকিতা শৰ্মা আৰু ৰামপুৰ শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া উৎপলা গগৈয়ে। উক্ত অনুষ্ঠানত ক'ৰ পৰা পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি বিতৰণ কৰা হয়। অনুষ্ঠানত ৩১ নং দহালী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অনিল কলিতাই বিশেষ অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিকতাৰে পঢ়া-শুনা কৰি জীৱনত পাৰদৰ্শিতা দেখুৱাৰ লগতে দায়িত্বশীল নাগৰিক হ'বলৈ আহ্বান জনায়। উল্লেখ্য, এই বিতৰণ কাৰ্যসূচীত ৰামপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ অধীনৰ মুঠ ১৪৪ খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি বিতৰণ কৰা হয়।

# অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে ৰহা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সজাগতা সভা




**নিবেদিতা শইকীয়া, নগাঁও ঃ** অসম বিজ্ঞান, প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদ চমুকৈ ASTEC ৰ পৃষ্ঠ পোষকতাত ৰহা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত ৰহা ব্লকৰ অন্তৰ্গত বিভিন্ন পঞ্চায়তত এলানি সজাগতা সভা অনুষ্ঠিত কৰা হৈছে। সমন্বয়ক নিবেদিতা শইকীয়াই জনোৱা মতে এই কাৰ্যসূচীৰ এক অংশ হিচাপে ২৫ মাৰ্চ তাৰিখে ফুলগুৰি আৰু চাপৰমুখত সজাগতা সভা অনুষ্ঠিত হয়। ফুলগুৰি হাইস্কুল, ফুলগুৰি ৰাইজ ভৱন আৰু চাপৰমুখৰ আঁটি গাঁও নামঘৰত স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা এই কাৰ্যসূচীৰ ফুলগুৰিৰ সভা সঞ্চালনা কৰে ফুলগুৰি হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী শ্ৰীযুতা অঞ্জনা বৰাই। নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ দিয়ে ক্ৰমে দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী ড° ৰুবা ফুকন, শ্ৰীযুত ৰঞ্জন শইকীয়া আৰু শ্ৰীযুত মানস প্ৰতীম মেধিয়ে। একেদৰে চাপৰমুখৰ আঁটিগাওঁ নামঘৰত অনুষ্ঠিত সভাখন সঞ্চালনা কৰে আটিগাঁৱৰ স্বনামধন্য সমাজকৰ্মী শ্ৰীযুতা জয়া প্ৰভা মুদৈয়ে আৰু নিৰ্দিষ্ট বিষয়ৰ ওপৰত আলোকপাত কৰে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সভাপতি তথা ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত প্ৰভাত চন্দ্ৰ নাথ, ড° ৰুবা ফুকন আৰু স্থানীয় অগ্ৰণী মহিলা শ্ৰীযুতা উষা ৰাণী শইকীয়া আৰু জুনু প্ৰভা বৈশ্যই। নামঘৰ মাথোঁ ধৰ্ম স্থানেই নহয়, এই নামঘৰৰ পৰাই অন্ধ বিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে এক বাৰ্তা সমাজলৈ প্ৰেৰণ কৰাটো আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ এক আদৰণীয় পদক্ষেপ। ইতিমধ্যে ৰহা ব্লকৰ অধীনৰ বিভিন্ন স্থানত এই সজাগতা কাৰ্যসূচী লোৱা হৈছে।

# কামপুৰত প্ৰাচীন প্ৰত্নতাত্বিক সমল উদ্ধাৰ




**কুকিল বৰা, কামপুৰ ঃ** নগাঁও জিলাৰ কামপুৰৰ বৰগাঁৱত উদ্ধাৰ হৈছে প্ৰাচীন প্ৰত্নতাত্বিক সমল। বৰগাঁৱৰ পথাৰৰ ওখ টিলা মাটি এডোখৰ খেতি মাটিৰ বাবে উপযোগী হোৱাকৈ খনন কৰোঁতে কেইবাটাও ভগ্ন মূৰ্তি আৰু শিলত খোদিত বহু ভগ্নাৱশেষ উদ্ধাৰ হৈছে। ভগ্নশিল আৰু মূৰ্তি উদ্ধাৰ হোৱাত অঞ্চলবাসী কৌতূহলী হৈ পৰিছে। উল্লেখ্য যে উক্ত অঞ্চলৰ কাৰৈমাৰীত ৬০ দশকত এটা পুখুৰী খান্দোতে বিষ্ণুৰ চতুৰ্ভূজ মূৰ্তি উদ্ধাৰ হৈছিল আৰু তাৰ পাছত প্ৰত্নতাত্বিক বিভাগে চলোৱা খনন কাৰ্যত বহু প্ৰত্নতাত্বিক সমল উদ্ধাৰ হৈছিল। তদ্ৰূপ বৰগাঁৱৰ উক্ত স্থানতো সমসাময়িক বহু সমল উদ্ধাৰ হোৱাৰ সন্দেহ কৰা হৈছে। ইতিমধ্যে প্ৰত্নতাত্বিক বিভাগে কম সময়ৰ ভিতৰত উক্ত স্থানত পৰ্যবেক্ষণৰ কামৰ কথা সদৰী কৰিছে।

# মুম্বাই আৰক্ষী বিভাগৰ সৎ সাহসী আৰক্ষী বিষয়া স্বৰ্গীয় বিজয় চালচকৰ

■ কুলদীপ শইকীয়া
ৰত্নপুৰ, পলিৰোড

মুম্বাই ক্ৰাইম ব্ৰাঞ্চৰ সৎ সাহসী আৰক্ষী বিষয়া স্বৰ্গীয় বিজয় চালচকৰৰ ১৯৫৭ চনৰ ২৪ ফেব্ৰুৱাৰীত এক মাৰাঠা পৰিয়ালত জন্ম হৈছিল। বিজয় চালচকৰৰ সৰুৰে পৰা এজন সৎ সাহসী আৰক্ষী বিষয়া হোৱাৰ দুৰ্বাৰ আকাংক্ষা আছিল। তেওঁ মুম্বাই বিশ্ববিদ্যালয়ৰপৰা বাণিজ্য বিষয়ত স্নাতোকোত্তৰ ডিগ্ৰী লাভ কৰিলে। তাৰ পিছত ১৯৮৩ চনত বিজয় চালচকৰে মুম্বাই ক্ৰাইম ব্ৰাঞ্চত ছাব ইন্সপেক্টৰ পদত নিয়োজিত হৈ কৰ্মৰত হ'ল। সেই সময়ত মুম্বাইৰ অপৰাধ জগতত আণ্ডাৰৱৰ্ল্ডৰ আধিপত্য বৃদ্ধি হ'বলৈ ধৰিলে সেইবাবে মুম্বাই পুলিচ বিভাগে নিজৰ কাম কৰাৰ পদ্ধতি সলনি কৰিবলৈ ধৰিলে। মুম্বাই পুলিছে আণ্ডাৰৱৰ্ল্ডৰ অপৰাধীক ধৰাৰ দায়িত্ব মুম্বাই ক্ৰাইম ব্ৰাঞ্চৰ হাতত অৰ্পণ কৰিলে। ১৯৮৩ চনত বিজয় চালচকৰে ক্ৰাইম ব্ৰাঞ্চত চাব ইন্সপেক্টৰ পদত নিয়োগ হৈ ৰাজা চাহাবুদ্দিন নামৰ কুখ্যাত অপৰাধী এজনক Encounter কৰি মাৰিলে। বিজয় চালচকৰে মুম্বাই আণ্ডাৰৱৰ্ল্ডৰ কুখ্যাত মাফিয়া অৰুণ গৱলীক কৰায়ত্ত কৰাৰ লাগি পৰিল আৰু অৰুণ গৱলী দলৰ এজন এজনকৈ অপৰাধীক মাৰিবলৈ ধৰিলে। সেই সময়ত আণ্ডাৰৱৰ্ল্ডৰ কুখ্যাত মাফিয়া অৰুণ গৱলীয়ে মুম্বাইত কোনো পুলিচ বিষয়াক যদি ভয় কৰে সেয়া হ'ল বিজয় চালচকৰ। ১৯৯৭ চনত অৰুণ গৱলীয়ে অনহিতা ৰামাস্বামী নামৰ মহিলা সাংবাদিক এগৰাকীক খুব বেয়াকৈ প্ৰহাৰ কৰিছিল। যেতিয়া এই কথা মুম্বাই ক্ৰাইম ব্ৰাঞ্চৰ বিষয়া বিজয় চালচকৰে গম পালে তেতিয়া নিজৰ লগত মাত্ৰ চাৰিজন পুলিচ বিষয়া লৈ অৰুণ গৱলীৰ ঘৰত প্ৰৱেশ কৰি বিজয় চালচকৰে অৰুণ গৱলীক ডিঙিত ধৰি চোঁচৰাই আনি নিজৰ গাড়ীত বহুৱাই থানালৈ আনি উত্তম মাধ্যম সোধালে। ১৯৯৭ চনৰ ২৬ ছেপ্তেম্বৰত বিজয় চালচকৰে অৰুণ গৱলীৰ দুজন বিশ্বস্ত সহযোগী সদা পৱলে আৰু বিজয় তাণ্ডেলক এক Encounter ত গুলীয়াই মাৰিলে। কিছুদিন পিছত অৰুণ গৱলীৰ আৰু এজন বিশ্বস্ত সহযোগী গনেশ শংকৰ ভোশলেও বিজয় চালচকৰৰ হাতত গুলী খাই মৃত্যুবৰণ কৰে। তাৰপিছত অৰুণ গৱলীয়ে বিজয় চালচকৰৰ নাম শুনিলেই ভয়ত আতংকিত হৈ পৰে। ২০০৪ চনত অৰুণ গৱলীয়ে বিধানসভাৰ বিধায়ক পদৰ বাবে নিৰ্বাচন খেলিবলৈ ধৰোতে বিজয় চালচকৰৰ ভয়ত নিজৰ ঘৰৰ পৰা বাহিৰলৈ ওলাবলৈ ভয় কৰিছিল। অৰুণ গৱলীয়ে সাংবাদিকক দিয়া এক প্ৰেছ বিজ্ঞপ্তি অনুসৰি অৰুণ গৱলীয়ে যেতিয়া ঘৰৰ পৰা ওলাই ঘৰৰ বেলকনিত থিয় যেতিয়া ৰাস্তাৰ ফালে চালে তেতিয়া তেওঁ দেখিলে যে বিজয় চালচকৰে তেওঁক ৰাস্তাৰ পৰা লক্ষ্য কৰি আছে। এই দৃশ্য দেখি অৰুণ গৱলীয়ে যথেষ্ট ভয় খাইছিল আৰু কেইবাঘণ্টা ধৰি নিজৰ ঘৰৰ বেলকনিলৈ অহা নাছিল। অৰুণ গৱলীয়ে যেতিয়া চিনছপকলীৰ নিৰ্বাচনত জয় লাভ কৰি বিধায়ক হৈছিল সেইসময়ত এদিন মন্ত্ৰালয়ৰ সন্মুখত অৰুণ গৱলী আৰু বিজয় চালচকৰ দুয়ো সন্মুখা সন্মুখি হৈছিল তেতিয়া অৰুণ গৱলীয়ে বিজয় চালচকৰক দেখি পলোৱাৰ নিচিনা কৰোতে বিজয় চালচকৰে অৰুণ গৱলীক ৰখাই ক'লে এতিয়া তই কেৱলমাত্ৰ বিধায়ক হৈছ যদি তই মন্ত্ৰীও হওঁ মই তোক সুদাই নেৰো। ২০০৪ চনত অৰুণ গৱলী বিধায়ক হোৱাৰ পিছত বিজয় চালচকৰে কৈছিল যে অৰুণ গৱলী বিধায়ক হ'লেও মোৰ বাবে আগৰ দৰেই মাফিয়া ডন হৈ আছে। মই আগৰ দৰেই তেওঁৰ Activity ৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিম। মই যদি গম পাওঁ বিধায়ক হৈও অৰুণ গৱলীয়ে কিবা অপৰাধমূলক কাৰ্য্য সংঘটিত কৰিছে তেতিয়াহ'লে মই মুম্বাইৰ ভাইকালাত অৱস্থিত অৰুণ গৱলীৰ আৱাসগৃহত ৰেড কৰিবলৈ অলপো সংকোচবোধ নকৰোঁ। বিজয় চালচকৰে মুম্বাইত ৭০ ৰ পৰা ৮০ টালৈকে এনকাউণ্টাৰ সংঘটিত কৰিছে। বিজয় চালচকৰ মুম্বাইৰ প্ৰাক্তন পুলিচ কমিছনাৰ ৰাকেশ মাৰিয়াৰ Favourite পুলিচ অফিচাৰসকলৰ মাজৰ এজন আছিল। ২০০৬ চনত বিজয় চালচকৰ মুম্বাই ক্ৰাইম ব্ৰাঞ্চৰ পৰা বদলি হৈ Entry Extoration Cell লৈ আহিল। ২০০৮ চনত যেতিয়া মুম্বাই তাজ হোটেলত উগ্ৰপন্থী সংগঠন লস্কৰী তৈবাই আক্ৰমণ কৰিছিল সেইসময়ত ২৬/১১/২০০৮ চন তাৰিখে দক্ষিণ মুম্বাই ক্ৰামা হাস্পতালৰ কাষত যিখন গাড়ীত বিজয় চালচকৰ আৰু তেওঁৰ সহযোগী পুলিচ



বিষয়াসকল আছিল সেই গাড়ীখনলৈ লক্ষ্য কৰি আজমল কাছৱ আৰু তেওঁৰ উগ্ৰপন্থী সংগীসকলে ধাৰাষাৰ গুলীবৰ্ষণ কৰিছিল সেই ধাৰাষাৰ গুলীবৰ্ষণত উগ্ৰপন্থীৰ গুলী খাই মুম্বাই ক্ৰাইম ব্ৰাঞ্চৰ সাহসী পুলিচ বিষয়া বিজয় চালচকৰ শ্বহীদ হ'ল। বিজয় চালচকৰক ২০০৯ চনৰ ২৬ জানুৱাৰীত অৰ্থাৎ গণতন্ত্ৰ দিৱসৰ দিনা মৰোনোত্তৰভাৱে অশোক চক্ৰ প্ৰদান কৰি সন্মানিত কৰা হৈছিল। বিজয় চালচকৰৰ পৱিত্ৰ স্মৃতিত তেওঁৰ সন্মানাৰ্থে মুম্বাই কান্দিৱলী ৱেষ্টৰ অল্ড লিংক ৰোডৰ একতা নগৰত অৱস্থিত এটা চাৰিআলিক 'শ্বহীদ বিজয় চালচকৰ চাৰিআলি' বুলি নামাকৰণ কৰা হৈছে।

**ম'বাইল ঃ** ৮৪৭৪০-৯৩১৬৮

# আমি পোহৰ প্ৰয়াসী

■ কুসুম শইকীয়া
যোৰহাট

জীৱনৰ সৰহখিনি সময় আমি সুখৰ সন্ধানতেই থাকো। পোহৰ বিচাৰি ফুৰো। পোহৰ অহাৰ বাটত কাম কৰো। পোহৰ বিচাৰি, সুখ বিচাৰি আমি কাম কৰিয়েই জীৱন পাৰ কৰো। কনফুচিয়াচৰ এষাৰ কথা আছে 'কৰ্মই আমাক তিনিটা বৃহৎ অনিষ্টকাৰী শক্তিৰ পৰা ৰক্ষা কৰে। ক্লান্তি, কুঅভ্যাস আৰু অভাৱ।' এনেধৰণৰ কথাই আমাৰ মন মগজুক জোকাৰি যায়। যেতিয়া আমাৰ নিজৰ ভিতৰখন এবাৰ ভূমুকি মাৰি চাওঁ তেতিয়া হয়তো আমি নিজকে বৰ অকলশৰীয়া, অভাৱী যেন অনুভৱ কৰো। কাৰণ গোটেই জীৱনটোত আমাৰ অভাবৰ অন্ত নাথাকে। কাৰোবাৰ যদি অৰ্থৰ অভাব, কাৰোবাৰ সংগৰ অভাৱ, শিক্ষা, জ্ঞান, মৰমৰ অভাৱ ইত্যাদি ইত্যাদি। এই অভাৱবোৰৰ বাবেও কেতিয়াবা আমাৰ কিছুমান কুঅভ্যাসৰ সৃষ্টি হয়। নেতিবাচক চিন্তাবোৰে অনবৰতে খেদি ফুৰে। যি আমাৰ শৰীৰ মন দুয়োটাৰ বাবেই ক্ষতিকাৰক। যিহেতু আমি মানুহ। আমাৰ চিন্তা, আমাৰ কৰ্মৰে আমি বিশ্ব জয় কৰিব পাৰো। তেনেস্থলত আমি নিজক জয় কৰাৰ কচৰৎ কৰিব নোৱাৰোনে? আমাৰ মনটোক সদায় আমি এটা সুস্থ সুন্দৰ সমল যোগাব পাৰো, যি আমাক বেয়াখিনি আঁতৰাই ভালখিনিৰে জীৱন সুন্দৰ কৰাৰ সুবিধা দিব পাৰে। হয়, নিশ্চয় পাৰো। এনেকৈ পাৰিবৰ বাবেই আমি নিজকে প্ৰস্তুত ৰাখো। আমাৰ মগজুয়ে নিৰ্দ্ধাৰণ কৰি দিয়া কিছুমান সিদ্ধান্তক আমাৰ হাতদুখনৰ সহায়েৰে সাকাৰ ৰূপ দি আমি ভাল পাবলৈ শিকো, বুজি পাবলৈ শিকো নিজকে। জীৱনটোত কিবা এটা কৰি যোৱাৰ হেঁপাহ জাগে। আমাৰ দুহাতৰ স্পৰ্শত প্ৰাণ পাই উঠে ন ন সৃষ্টি। কোনোবাই জীৱনটোক ছবিৰে সজাই, কোনোবাই শিল্প ভাস্কৰ্যৰে, গীত-মাতেৰে। আন কোনোবাই শব্দৰ মালাৰে। এনেদৰেই সজোৱা সময়বোৰে আমাক সৌন্দৰ্যপ্ৰিয় কৰি তোলে। জীৱনটোক সাহসৰে জীবলৈ দিয়ে।


হাৰি হাৰি জিকিবলৈ উৎসাহ দিয়ে। সকলো ভাল লগা কৰি তোলে। এষাৰ কথা আছে-দুখ নাহিলে হেনো শব্দ সুন্দৰ নহয়। যন্ত্ৰণা নহ'লে হেনো সৃষ্টি পূৰঠ নহয়। সেয়ে সৃষ্টি পূৰঠ কৰাৰ স্বাৰ্থতে সকলো ভাল লাগে। শব্দৰ প্ৰেমে সকলো জয় কৰিবলৈ শিকাই দিয়ে। ভাল লগা কবিতা যেন হৈ পৰে সকলো। আচলতে এই কবিতানো কি? আমি আমাক জনাৰ এটা কৌশল মাথোঁ। ড° জনচনে কৈছে -'কবিতা কি সেই কথা কোৱাতকৈ কবিতা কি নহয় সেই কথা কোৱাটো বেছি সহজ। পোহৰ কি বস্তু সেই কথা আমি সকলোৱে জানো; কিন্তু পোহৰ কি বুলি সুধিলে আমি সহজে সেই প্ৰশ্নৰ উত্তৰ দিব নোৱাৰো সেয়ে 'কবিতাও এক সুন্দৰ শিল্প।'

আমি সকলো সময়তেই আনৰ কথা বেয়াকৈ চিন্তা নকৰি ভাল চিন্তাও কৰিব পাৰো, যিদৰে আমি সদায় নিজৰ ভাল হওক বুলি ভাবি থাকো ঠিক সেইদৰে আনৰ ভাল হওক বুলি কিয় ভাবিব নোৱাৰো। আনৰ ভাল হোৱাটো সহ্য কৰিব নোৱাৰো। আনৰ ভালখিনিক শিল্প বুলি ভাবিব নোৱাৰো। জীৱনত সেইসকল ব্যক্তিকেই বেছিকৈ লগ পোৱা যায়। এচামে নিজৰ অহংকাৰ নামৰ অলংকাৰ পিন্ধি আপোনাৰ মোৰ মূল্যৱান সময়খিনিৰে তেওঁলোকৰ সপোন পুৰাবলৈ বিচাৰে। সুবিধা পালে আমাৰ দোষ খুচৰি অধিক বেয়ালৈ টানি নিয়ে। ভালখিনিক সহ্য কৰিব নোৱাৰে, আমাৰ অভাবক পুতৌ কৰে, আমাৰ সহৃদয়তাক দুৰ্বলতাৰ আখ্যা দিয়ে, মুখাবোৰ বৰ কৌশলেৰে পিন্ধি থাকে। যাতে ধৰা নপৰে। কিন্তু সময় জানো সকলোৰে বাবে একেই থাকে? এদিন সঁচাবোৰ সঁচা হৈ জিলিকি উঠে। সেই নিলাজ মুখবোৰ ধৰা পৰে। তেনেহ'লে প্ৰয়োজনেই বা কি মুখা পিন্ধাৰ? অৰ্থয়েই বা কি আনৰ ওচৰত নিজকে সৰু কৰাৰ? তাতকৈ নিজৰ শিল্পক শিল্প কৰি ৰখায়েই ভাল, শিল্পক সকলোয়েই শ্ৰদ্ধা কৰে। নিজক নিজৰ কৰি ৰখায়েই ভাল। অন্ততঃ মূৰ দাঙি থাকিব পাৰে। এইবোৰ জীৱনটোৰ পৰা শিকা কিছুমান সৰু সৰু অভিজ্ঞতাহে মাত্ৰ আৰু এনে বহুতো আছে যিবোৰে আমাৰ থৰক বৰক খোজবোৰ দৃঢ় হ'বলৈ শিকাই, মানুহক চিনি পাবলৈ শিকায়। আচলতে মানুহক চিনি পাই থোৱাটো ভাল। অলপ সাৱধান হ'ব পাৰি। এয়াও এক শিল্প। গঢ়ি পিটি সুন্দৰ কৰিবলৈ চেষ্টা কৰিব পাৰি। কিন্তু যদি গঢ় নলয় তাক ওচৰৰ পৰা আঁতৰাই থোৱা ভাল বা মৌন হৈ নিজেই আঁতৰি থাকিব লাগে।

এই সমাজখন আমাৰ। আমাৰ হাতৰ পৰশত গঢ়ি উঠা। আমি যিদৰে নিজকে ধুনীয়া সজাবলৈ প্ৰসাধন কৰো, এযোৰ ৰঙীন পোচাক পিন্ধো ঠিক সেইদৰে সমাজখন ধুনীয়া কৰিবলৈ মনবোৰ পৰিস্কাৰ কৰা উচিত। নিজকে প্ৰথমে সজাই লোৱা উচিত। তাকে নকৰি আনৰখিনি চাই চাই সমালোচনা কৰোতেই আমাৰ নিজৰ গাৰ কাপোৰ গাতে ফাটি নোহোৱা হৈ যায়গৈ। আনে তেতিয়া আমাক নাহাঁহিব জানো?

গতিকে নিজকে শিল্পৰ দৰে সুগঢ়ী কৰি ৰাখিবলৈ কচৰৎ কৰো আহক। আনৰ দোষ গুণ খুচৰি, ঈৰ্ষা অসূয়াবোৰ এৰি সময়বোৰ আনন্দৰে নিজৰ বাবেই উদ্‌যাপন কৰো আহক। আন্ধাৰবোৰ আঁতৰি পোহৰবোৰ আমাৰ হ'ব। আপুনি পোহৰৰ কবিতা হৈ কাৰোবাৰ হৃদয়ত খোদিত হ'ব।

**ম'বাইল ঃ** ৭০৮৬২-০০৭৯৭



# জুই আৰু ছবি

**জুৰণি প্ৰিয়া বৰা**
স্নাতক দ্বিতীয় ষান্মাসিক, নগাঁও মহাবিদ্যালয়

১

নিয়মৰ অন্তৰালত যেনেকৈ একেলগে ঘূৰে
পৃথিৱীৰ প্ৰতি চপৰা মাটি,
ধলপুৱাত কুকুৰাৰ ঐক্যতানত যেনেকৈ
সাৰ পাই বেলি আৰু এন্ধাৰ,
(হয়তো) এখন হাতৰ কণ্ঠস্বৰত ভাঙে
বহুতো হাতৰ টোপনি।

২

তুমি
মই
আৰু আন বহুজন
ঘূৰি-ফুৰো হাতে হাতে একোখন নিজা দুৱাৰ কঢ়িয়াই।
অথচ
সমগ্ৰ পৃথিৱী যেতিয়া ভোগে
উশাহৰ সমস্যাত,
আমি গতি কৰো একেখন দুৱাৰ অভিমুখে।
'জুই' জ্বলে
মানুহৰ পৰা মাটিলৈ
মাটিৰ পৰা ভূগোললৈ;
ইপাৰ সিপাৰ...
('জুই'- এটা চিৰন্তন গল্প)
তথাপি
পৰিভ্ৰমী চৰাইৰ ডেউকাৰ বতাহত
মানুহ আৰু মানুহ একেলগে
বহে পৃথিৱীৰ প্ৰাৰ্থনাত।

৪

(অ) কল্পনা-কল্পনা
অথবা
বাস্তৱ-অবাস্তৱৰ
দোমোজাৰ উত্তাপত
বাঢ়ে বহুতো শিশুৰ টোপনি।

পৃ থি ৱী
মা নু হ
প্ৰভেদ?

# অভিমানী নহওঁ মই

**আয়শা ছিদ্দিকা (আছৰি)**
বাংলিপাৰা,বৰপেটা

নাই নাই অভিমানী নহওঁ মই
কিয় হ'ম বাৰু তুমিয়েই কোৱা
মোৰ আৱেগ মোৰ অনুভূতি
কোনে বাৰু বুজিব..?
অভিমানৰ উত্তাপ স্পৰ্শই মোক
কাতৰ কৰি বাগৰাই পেলালেও
আলফুলে আঁকোৱালি ল'বলৈ
কোনে বাৰু আহিব...?
অভিমানী নহওঁ হ'ব নোৱাৰো
আশাখিনি প্ৰত্যাশা হ'লেও
সপোন ভাঙি চূৰ্ণ বিচূৰ্ণ হ'লেও
কোনে বাৰু সামৰিব আহি..?
অভিমানৰ সেই অস্পষ্ট ভাষা
আৱেগত আধা ফুটা মাত
আৰু অস্থিৰ চকু পানী
কোনে বাৰু মচি দিব...?
নাই কোনেও নুবুজে, নুবিজিব
অভিমানী হোৱাৰ আঁৰৰ প্ৰেম
লুকাইত শুদ্ধ মৰমৰ কথা জনাৰ
কাৰ বাৰু জগৰ পৰিছে...?
সেয়ে অভিমানী নহওঁ মই
অৱহেলা বুজিও নুবুজা হৈ
হাঁহিৰ ৰঙীন ৰেখা টানি
নিজকে নিজে বুজনি দিওঁ
নাই নাই কোনো নাই
নুবুজে কোনেও নুবুজে
নুশুনে কোনেও নুশুনে
সকলো ব্যস্ত নিজতে
অভিমানী নহ'বা তুমি.....

ম'বাইল ঃ ৯৩৬৫৬-৮১৯৬৮

# ঋতু আৰু শূন্যতা

**জাগৃতি শইকীয়া**

হাতৰ মুঠিতে ৰ'দ ঘাই সপোন এটা।
(প্ৰাচীন)
গোটাচেৰেক পাহৰিছোঁ
সম্ভৱতঃ
পাছফালৰ পিৰালিৰ কাষতে
এক দুই তিনি..
ছয়টা, ছয়টা
এন্দুৰৰ গাঁত আছে।
(এতিয়াও আছেনে?)
এৰা, দশকৰ কথা
এৰাবাৰীৰ ঢাপত কাঠফুলা ফুলা দিনৰে সাধুকথা
বিলখন আজিকালি তৰাং।
ভিজা জাবৰৰ দ'মত এন্ধেৰুৱা মাছবোৰৰ উজান উঠে
মাঘতে খবৰ দিছিল..
(কোনে?)
গোটাচেৰেক পাহৰিছোঁ
সম্ভৱতঃ

ঘূণে ধৰা হৃদয়ে তেতিয়া
ডাৱৰীয়া উশাহবোৰ খেপিয়াই ফুৰিছিল।
কাণৰ কাষৰ চহৰত আৰ্তনাদ,
(কিমান কাষত)
টিক্..টিক্..টিক্..
এডৰা মানিমুনি।
পথাৰৰ বৰআলিটোৰ ঠিক বাওঁফালে
নহয়, নহয় সোঁমাজতে
(বিস্মৃতি)
প্লাষ্টিকবিহীন।
'বৰ্তমান' এটা খুচৰি
ঠেকেচি আছোঁ -
সেউজীয়া।
(পানী মিহলোৱা)
উঁৱলা গোহালিৰ চালত এঙামুৰি টনা
সৌ টো চিনাকি আত্মা
থেকেৰা নে বেঙেনা?
গোটাচেৰেক পাহৰিছোঁ
সম্ভৱতঃ।

# কোন সৰগৰ তুমি?

**মুকতাৰ আলী**
যোৰহাট চিকিৎসা মহাবিদ্যালয়

কোন দেশৰ ৰমণী তুমি?
মোহময়ী ৰূপৰ অধিকাৰী
ৰূপাংগণত দৰ্শালে
স্ৰষ্টাৰ কাৰিকৰী,
কোন সৰগৰ তুমি অপেশ্বৰী?

কেঁকোৰা মেকোৰা চুলি
লাজে লাজে বগোৰা
কপাহী দুগালত,
কেচাঁ কপৌফুল গঁথা
ভোমোৰা কলা খোপাত।

নৃত্যময়ী হাতৰ
লিহিৰি আঙুলিৰ পৰশত
কালৈ মৰম উৰ্বৰা,
সপোনতো মই শংকায়িত
সপোন ভাগিলেই তুমি আনৰ হ'বা।

টোক টোক... টোক
'ইটচ্ এইট ফ'ৰ্টি ফাইফ
বোল ক্লাছ যাওঁ।'
এয়াই কঠিন সত্য
তুমি মোৰ নহ'লা,
লিখিব নোৱাৰা কাহিনীত
তুমি ৰৈ গ'লা....
অবাঞ্চিতভাৱে অনাকাংক্ষিতভাৱে।

# অভিমানৰ পোছাক

**জুৰিমণি মুদৈ**
ৰহা, নগাঁও

অভিমানৰ পোছাকযোৰ ঠিকেই পিন্ধিলা
নামাতো বুলিয়েই আঁতৰি গ'লা
পাৰিলা জানো মোহাৰি পেলাবলৈ
হৃদয়ত ফুলি থকা গোলাপৰ পাহিটি?
আজিও সেই গোলাপৰ সুগন্ধিয়ে
কৰে তোমাক মতলীয়া
সেয়ে তাৰ সুৱাসত সুৱাসিত হ'বলৈ
মন পদূলিত অগা-দেৱা কৰা।
তেন্তে কিয় মিছা অভিমান তোমাৰ?
আহানা খুলি থৈ
তোমাৰ সেই অভিমানী পোছাকযোৰ
খোলা আছে মোৰ হৃদয়ৰ দুৱাৰ।
ভালপোৱাৰ বৰষুণজাকত
হেঁপাহ পলুৱাই তিতিম
ফাগুণৰ আবিৰত ৰাঙলী হৈ
হৃদয়ত আশাৰ কাৰেং সাজিম।
আহিবানে পৰাণ জুৰোৱা এটি গীত হৈ
জীৱন বীণাৰ এটি মিঠা সুৰ হৈ?
প্ৰতীক্ষাৰ বাটচ'ৰাত
থাকিম তোমাৰ বাবেই ৰৈ।

# আইৰ মুখৰ হাঁহি

**সত্যজিৎ গগৈ**
বামুণী গাঁও, জখলাবন্ধা

হাইতাল বুলোৱা মোৰ আইৰ
হেঙুলীয়া ওঁঠৰ নিভাঁজ হাঁহি,

জীৱনৰ কলাজ আঁকি আঁকি
ভাগৰুৱা হ'ল কলমৰ গতি
ঘৰমুৱা পখীয়ে শূন্যতে আঁকে
ৰামধেনুৰ সাতোৰঙী ছবি।

সুখ-দুখৰ ধূলি উৰুৱাই
নিশব্দে নীৰৱে পাৰ হয়
সোণোৱালী ৰ'দালি
ক্লান্ত বতাহেও কয়
এতিয়া যে ধূসৰ আবেলি।

সেলেঙি ধৰা আইৰ মুখৰ
পাগলগা তামোলৰ ৰাগী
অকস্মাতে সাৰ পাই উঠে
তাহানিৰ কোনোবা সাধুৰ পৰী।

আমাৰ সুৱদি সুৰীয়া অমিয়া ভৰা
আইৰ মুখৰ মৌ সনা মাত
শৰীৰ আৰু মনৰ মাজৰ
এটি চিনাকি গানৰ ঘাট।

ম'বাইল ঃ ৭৩৯৯৬-৬২৮৬৭



# অস্পষ্ট অস্থিৰতা

**শতাব্দী শৰ্মা**
আমোলাপট্টি, নগাঁও

মা, সেই জোনবাইজনী হওঁ দিয়া।
মানুহে চাব, বগাবোৰ ভগাব।
দাগবোৰ ভ্ৰম বুলি উফৰাই দিব।
আকাশলৈ চাই হেঁপাহ পুহিব।
কোনোবা গীতত নাইবা কবিতাত
মোৰ দ্বাৰা পোহৰ সিঁচিব।
মোক উদাহৰণ বুলি ক'ব।
মোক চাই আইতাৰ চোতাল মনত পেলাব।
মোক চাই শৈশৱৰ স্মৃতি খুচৰিব।
মা, জোনবাইজনীক মইও ভাল পাওঁ,
পূৰ্ণিমা ৰাতি তাইৰ হাত-ভৰি দীঘল হৈ
মোকে যেন লৈ যাব খোজে
দিগন্ত প্ৰসাৰি।

ম'বাইল ঃ ৬৯০১১-৫২৪২৯

# এইটোনো কি বেয়া

**মূল ঃ** এই বা মন্দ কি (বাংলা)
**কবি ঃ** তাৰাপদ ৰায়
**অনুবাদ ঃ** নিবেদিতা শইকীয়া

ওৰেটো জীৱন মই মাথোঁ নিজকে বিচাৰি আছোঁ
ওৰেটো জীৱন তুমি মাথোঁ নিজকে বিচাৰি আছা
মাজে মধ্যে মুখামুখি দেখা হৈ গৈছে আমাৰ...
কেতিয়াবা মই ভাবিছোঁ
মই কিজানি তোমাকে বিচাৰি আছিলোঁ।
কেতিয়াবা তুমি ভাবিছা
তুমি কিজানি মোকে বিচাৰি আছিলা।

এনেকুৱা কিছুমান সাঁথৰ আৰু জটিলতাৰে ভৰা
আমাৰ জীৱন
ইয়াৰ বাহিৰে কিছু কাম-কাজো আছিল
শইছ চপোৱা, সৰাপাত গোটোৱা, জুপুৰি সজা
শীতৰ ৰাতি ধুনি জ্বলোৱা, আৰু কত কি।
তথাপি এই সকলোবোৰৰ মাজত
কি জানো বিচাৰি আছিলোঁ আমি।
হয়তো আমাকেই বিচাৰি আছিলোঁ
নদীৰ পানীতো আমি আমাৰেই
ছাঁ চাই
নিজকে চিনাৰ চেষ্টা কৰিছিলোঁ।

ওৰেটো জীৱন
এনেকৈয়ে চিনি, চিনি
বিচাৰি, বিচাৰি
মাজে মধ্যে
ক'ৰবাত, ক'ৰবাত
দেখাদেখি যেনিবা হৈয়েই গ'ল আমাৰ
এইটোনো কি বেয়া?



# ৰান্ধনী

**বিতোপন গগৈ**
শিমলুগুৰি, লখিমপুৰ

সঁচাই সৃষ্টিৰ অপূৰ্ব স্নিগ্ধতাত
শিকি আহিছিল... পাকঘৰত
হেতাখন কিমান লৰাব লাগিব
নিমখ-জলকীয়া-মছলা-ধনীয়া
ওখোৰ চাউলত কিমান জোখত
দিব লাগিব পানী?
ভগবানে বিপ্ৰ দামোদৰৰ ঘৰত
কি খাইছিল, কোনে ৰান্ধিছিল
একো নেজানো।
বীভৎস বন্ধনৰ কথা
ভাওনাৰ নাটত পাইছিলো
কবিতা এটাৰ দহটা অনুভূতিত
পিটিকা হৈ পৰে ৰান্ধনীৰ আলু
পবিত্ৰ অন্তৰৰ জলকীয়াৰ সোৱাদ
অচিন আলহীক কি ভাজি খুৱাম
কেতিয়াবা জুই আৰু কেৰাহীক সোধা প্ৰশ্ন
নতুন শিক্ষাৰে দাইল বনাওঁতে
সময়ৰ নাটনিত
পাহাৰ বগাব নোৱাৰো
আতংকিত হৈছিলো
ধোঁৱাবোৰ দুচকুৰ লোতক
ৰান্ধনি আৰু ৰান্ধনী
সমাজৰ অক্ষত বন্ধনী।

# পাপ

**শৈলেন কুমাৰ,** মিৰ্জা

দত্তই বিকলাংগ এজনৰপৰা টেবুলৰ তলেৰে টোপোলাটো লৈ ক'লে, বৃদ্ধাকালত গংগাত স্নান কৰিলে সকলো পাপ কৰ্তন হৈ যাব। কথাষাৰ শুনি কুমাৰে মনেমনে ভাবিলে বৰ্তমানত ভ্ৰষ্ট হৈ বৃদ্ধাকালত কেনেকৈ পাপ মুক্ত হ'বলৈ পাৰিব।

ম'বাইল ঃ ৭০০২৮-১৬১৪৬

*প্ৰথম পৃষ্ঠাৰ পৰা*

## ধেমাজি আৰু ঢকুৱাখানা বিধানসভাকেন্দ্ৰিক পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

দিয়ে। জিলাখনৰ ১০ খন গাঁৱৰ সীমা সমস্যাৰ ৭ খনৰ সমাধান হোৱাৰ লগতে বাকী থকা ৩ খন গাঁৱৰ সমস্যা সমাধানৰ বাবে শীঘ্ৰে চুবুৰীয়া ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পৰ্যায়ত আলোচনাৰ আয়োজন কৰা হ'ব বুলি তেওঁ কয়। লোকনিৰ্মাণ পথ বিভাগৰ অসম মালা আঁচনিৰ অধীনত চলি থকা ঢকুৱাখনাৰ পৰা তেলীজান সংযোগী পথৰ তিনিশ মিটাৰ পথৰ ভূমি অধিগ্ৰহণ বিষয়টো সোনকালে নিষ্পত্তিৰ ব্যৱস্থা কৰিবলৈ বৈঠকত মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ধেমাজি সমষ্টিত অসম মালাৰ অধীনত নতুনকৈ ২৫ কিঃ মিঃ পথ নিৰ্মাণৰ বাবে যাৱতীয় ব্যৱস্থা কৰিবলৈ বিভাগক তেওঁ নিৰ্দেশ দিয়ে। ধেমাজি চিকিৎসা মহাবিদ্যালয় পথৰ সম্প্ৰসাৰণৰ বাবে প্ৰয়োজনীয় ভূমি অধিগ্ৰহণ বিষয়টোও বৈঠকত আলোচনা কৰা হয়। তদুপৰি শিক্ষা পাঠ্যক্ৰমত বৰদলনি উচ্চতৰ মাধ্যমিক বিদ্যালয়, মিংমাং নলবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু জামুগুৰি পাঞ্চালি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তনৰ বিষয়েও আলোচনা কৰা হয়। কৃষি বিভাগৰ অধীনত ধান আৰু সৰিয়হ ক্ৰয়, ফচল বীমা যোজনা, পি এম কিষাণ আদি আঁচনি সমূহৰ ৰূপায়ণৰ নিৰ্ধাৰিত লক্ষ্যত এশ শতাংশ উপনীত হ'বলৈ সংশ্লিষ্ট বিভাগক তেওঁ নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ অধীনত প্ৰথম পৰ্যায়ত ২০৫ গৰাকী হিতাধিকাৰীক ১ লাখ টকাকৈ প্ৰদান কৰা হৈছে বুলি জিলা আয়ুক্তই জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে ধন লাভ কৰা হিতাধিকাৰীসকলে আৰম্ভ কৰা ব্যৱসায় তথা অন্যান্য কাম-কাজসমূহ নিৰীক্ষণ কৰাৰ ব্যৱস্থা কৰিবলৈ জিলা আয়ুক্তক নিৰ্দেশ প্ৰদান কৰে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত টিকাকৰণ অভিযান, প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা, আভা পৰিচয় পত্ৰ সৃষ্টিৰ লগতে আভা কাৰ্ডৰ সংখ্যা বৃদ্ধি, নৱজাতক আৰু প্ৰসূতিৰ মৃত্যুৰ হাৰ, প্ৰতিষ্ঠানিক প্ৰসৱ আদি বিষয়সমূহো বৈঠকত মুখ্যমন্ত্ৰীয়ে পৰ্যালোচনা কৰে। তেওঁ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত ৰূপনগৰ বৰগাওঁ, আৰধল, মিলন নগৰ আৰু ভেহাপাৰা আদি অঞ্চলসমূহত নলযোগে পানীযোগান ব্যৱস্থা আৰু মৰিধলৰ গোটা আৱৰ্জনা নিষ্কাষণ ব্যৱস্থাপনাৰ বিষয়েও বিতংকৈ পৰ্যালোচনা কৰে। মহিলা আৰু শিশু কল্যাণ বিভাগৰ অধীনত সমষ্টিটোত নতুনকৈ নিৰ্মাণ কৰি থকা ৩৪ টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। যোৱা ১ জুলাইত মুখ্যমন্ত্ৰীয়ে শুভ উদ্বোধন কৰা গোগামুখৰ দক্ষতা প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা ইতিমধ্যেই তিনিটা গ্ৰুপে সফলতাৰে প্ৰশিক্ষণ সমাপ্ত কৰি বিভিন্ন ব্যক্তিগত প্ৰতিষ্ঠানত নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছে বুলি বৈঠকত জিলা আয়ুক্তই মুখ্যমন্ত্ৰীক অৱগত কৰে। এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে সমষ্টিটোৰ অন্তৰ্গত ধেমাজি, গোগামুখ আৰু গেৰুকামুখ আৰক্ষী থানাৰ মানৱ সম্পদ, পথ দুৰ্ঘটনাৰ পৰিসংখ্যা, নিয়মিত গোচৰ নিষ্পত্তিৰ হাৰ, শিশু আৰু মহিলাৰ বিৰুদ্ধে অপৰাধৰ গোচৰ, বাল্য বিবাহ ৰোধ কৰাৰ দিশত গ্ৰহণ কৰা পদক্ষেপ আৰু নতুন অপৰাধ আইন কিদৰে সমষ্টিটোত ৰূপায়িত হৈছে সেই বিষয়েও বুজ লয়। এই পৰ্যালোচনা বৈঠকত শিক্ষা আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ প্ৰদান বৰুৱাৰ উপৰি বিশেষ মুখ্য সচিবদ্বয় ছৈয়দ্দীন আব্বাচী আৰু এম কে যাদৱ, অতিৰিক্ত মুখ্য সচিব অজয় কুমাৰ তিৱাৰী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড° কে কে দ্বিৱেদী, প্ৰধান সচিব ড° জে বি এক্কা, এম কে চাহু, জি ডি ত্ৰিপাঠী, জিলা আয়ুক্ত , আৰক্ষী অধীক্ষককে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। আনহাতে মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড়ৰ লেপেটকটাস্থিত ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ প্ৰকল্পটোত কেন্দ্ৰীয় নিয়ন্ত্ৰণ কক্ষ, পণ্যাগাৰ, উৎপাদনস্থলী আদি পৰিদৰ্শন কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে বিচিপিএলৰ কেইবাগাৰাকী শীৰ্ষ বিষয়াৰ সৈতে এখন পৰ্যালোচনামূলক বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিষ্ঠানটোৰ শেহতীয়া কাম-কাজ, উন্নয়ন তথা ভৱিষ্যতৰ পৰিকল্পনা, উৎপাদিত সামগ্ৰীৰ বিবিধতা বৃদ্ধি, প্ৰতিষ্ঠানটোৱে সন্মুখীন হোৱা সমস্যা আদিকে ধৰি বিভিন্ন বিষয় তেওঁ বিস্তৃতভাৱে আলোচনা কৰে। আগন্তুক সময়ত বিচিপিএলএ যাতে অধিক সবলভাৱে উদ্ভাসিত হ'ব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে সম্ভৱপৰ সকলো সহযোগিতা আগবঢ়াব বুলি বৈঠকত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এই বৈঠকত উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, শক্তি আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাৰ উপৰি বিচিপিএলৰ পৰিচালন সঞ্চালক প্ৰাঞ্জল চাংমাই, উদ্যোগ আৰু বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ সচিব ড° লক্ষ্মণন এছকে ধৰি কেইবাগৰাকীও বিষয়া উপস্থিত থাকে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত ঢকুৱাখানা বিধানসভা সমষ্টিত ৰূপায়িত হৈ থকা বিভিন্ন প্ৰকল্প, আঁচনি তথা অন্যান্য উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত আন এক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত ব্ৰহ্মপুত্ৰৰ মথাউৰিৰ পৰা চিছিকলঘৰ-টেকেলিফুটা, কৰহা, চামপৰা মথাউৰিকে ধৰি জলসম্পদ বিভাগৰ অধীনত ৰূপায়িত আঁচনি সন্দৰ্ভত বিতং আলোচনা কৰাৰ লগতে ইয়াৰ বাবে প্ৰয়োজনীয় পুঁজি অনুমোদন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। তেওঁ কেবিনেট বৈঠকৰ ঘোষণা অনুযায়ী ফাটবিহু সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ বাবে প্ৰথম পৰ্যায়ৰ কামৰ নিবিদাৰ আহ্বান কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। বিষ্ণুৰাম দলে ক্ৰীড়া প্ৰকল্প, যুৱ কেন্দ্ৰ আৰু বিএড কলেজৰ বিষয়েও তেওঁ বৈঠকত আলোচনা কৰে। তদুপৰি সমষ্টিটোৰ মহকুমা চিকিৎসালয়খন ২০০ খন বিচনাযুক্ত জিলা চিকিৎসালয়লৈ উন্নীত কৰাৰ লগতে চিকিৎসালয়খনৰ সৈতে সংলগ্ন আবাসগৃহ নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ তেওঁ স্বাস্থ্য বিভাগক নিৰ্দেশনা প্ৰদান কৰে।

## তিৱা মাথনলাই তখ্ৰাৰ ত্ৰয়োদশ সংখ্যক কেন্দ্ৰীয় অধিৱেশনত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

পৰিষদ নামৰ এটি সংগঠন গঢ়ি উঠিছিল। ১৯৮১ চনৰ ৩১ মে'ত সংগঠনটোৰ নাম সলনি কৰি সদৌ তিৱা সাহিত্য সভা হিচাপে নামাকৰণ কৰা হৈছিল বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে তিৱা সাহিত্য সভাৰ অভিৱৰ্তনত সভাৰ নাম সলনি কৰি তিৱা মাথনলাই তখ্ৰা হিচাপে নামাকৰণ কৰা হৈছিল। মুখ্যমন্ত্ৰীয়ে কয় যে তিৱা মাথনলাই তখ্ৰাৰ ১৯৯৭ চনত নগাঁও জিলাৰ বাৰপূজীয়াত অনুষ্ঠিত অধিৱেশনখন তিৱা ভাষাৰ বাবে এক ঐতিহাসিক অধিৱেশন ৰূপে চিহ্নিত হৈ ৰ'ল। তিৱা মথানলাই তখ্ৰাৰ অধিৱেশনসমূহত মুখপত্ৰৰ লগতে বুজন সংখ্যক তিৱা ভাষাৰ গ্ৰন্থ প্ৰকাশে তিৱা ভাষা-সাহিত্য চৰ্চাত নতুন আয়তন যোগ দিবলৈ সক্ষম হৈছে বুলিও তেওঁ মন্তব্য কৰে। ভাষা-সংস্কৃতিৰ বিকাশৰ দিশত এই সাহিত্য অনুষ্ঠানটোৱে গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে তিৱা ভাষা-সাহিত্য চৰ্চাক বিশেষ গতি প্ৰদান কৰি সাহিত্যিক তথা তখ্ৰাৰ সাহিত্য সম্পাদক হৰচিং খলাৰে ২০২৩ চনত সাহিত্য অকাডেমী ভাষা সন্মান বঁটা লাভ কৰি সমগ্ৰ জাতিটোৰে গৌৰৱ বৃদ্ধি কৰিলে। তিৱা জাতিক স্বকীয় পৰিচয়েৰে উদ্ভাসিত কৰি অহা তিৱা ভাষা-কৃষ্টি সংৰক্ষণ আৰু প্ৰসাৰৰ দিশত ৰাজ্য চৰকাৰে অবিৰত প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে অন্যান্য জনজাতীয় ভাষাসমূহৰ লগতে তিৱা ভাষাকো শিক্ষাৰ মাধ্যম হিচাপে প্ৰাথমিক পৰ্যায়তপ্ৰৱৰ্তনৰ বাবে অধিসূচনা জাৰি কৰিছে। তদুপৰি ইতিমধ্যে তিৱা মাথনলাই তখ্ৰাৰ তৰফৰ পৰা ৰাজ্যিক শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত পাঠ্যপুথি প্ৰণয়নৰ কৰ্মসূচী সম্পন্ন হোৱাটো নিঃসন্দেহে শলাগিবলগীয়া পদক্ষেপ বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে পৃথিৱীৰ বুকুত কোনো জাতি বা জনগোষ্ঠীয়ে নিজৰ অক্ষয় চাপ সৃষ্টি কৰা সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা লোৱা কাৰকসমূহৰ অন্যতম হৈছে ভাষা, সাহিত্য আৰু সংস্কৃতি। তেওঁ লগতে কয় যে আৱহমান কালৰে পৰা সাহিত্যই জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাৰে মানৱ জাতিক আগুৱাই যোৱাৰ বাট দেখুৱাই আহিছে। মানুহৰ জীৱনত অপৰিসীম প্ৰভাৱেৰে সাহিত্যই যি চেতনাৰ উন্মেষ ঘটাইছে তাৰ জৰিয়তে মানৱ সভ্যতাই ৰূপান্তৰমুখী যাত্ৰা পথেৰে আগুৱাই যাবলৈ সক্ষম হৈছে। সাহিত্যই মানৱীয় প্ৰমূল্যবোধ জ্ঞানদীপ্ত সমাজ গঢ়ি তোলাৰ দিশত বিশেষ ভূমিকা লৈছে। তেওঁ কয় যে গদ্য, কবিতা, নাট আদিৰ ৰচনাৰে মানুহে সাহিত্যক এক বিৰাট কলালৈ ৰূপান্তৰ কৰিছে বুলিও তেওঁ কয়। প্ৰাচীন ভাৰতীয় সাহিত্যসমূহৰ বিষয়ে আলোকপাত কৰি তেওঁ কয় যে মহান গ্ৰন্থসমূহৰ মাজত নিহিত হৈ আছে মানৱীয় প্ৰমূল্যবোধৰ দৰ্শন। বৈদিক সাহিত্য, মধ্যযুগীয়া সাহিত্য, উনবিংশ আৰু বিংশ শতাব্দীৰ সাহিত্যই আজিও সকলোকে অনুপ্ৰেৰণা যোগাই আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে তিৱা সাহিত্য সভাই তিৱা জনগোষ্ঠীৰ ইতিহাস, লোক সাহিত্য ইত্যাদি সন্দৰ্ভত এনে গ্ৰন্থ প্ৰকাশ কৰিব লাগে যাতে ভাষাটোৰ শ্ৰীবৃদ্ধিত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব পাৰে। তেওঁ লগতে কয় যে তিৱা মাথনলাই তখ্ৰাই তিৱা জনগোষ্ঠীৰ বুৰঞ্জী প্ৰণয়নৰ বাবে আগবাঢ়ি আহিলে ৰাজ্য চৰকাৰে প্ৰকাশৰ ব্যয় বহন কৰিব।

## ডিব্ৰুগড় চহৰৰ কৃত্ৰিম বান সমস্যা সমাধানৰ অৰ্থে ৪৫ কোটি টকীয়া প্ৰকল্প গ্ৰহণ ৰাজ্য চৰকাৰৰ

সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। তেওঁ এই বৈঠকত বিগত বৰ্ষৰ ২৩ ডিচেম্বৰত এই সন্দৰ্ভত অনুষ্ঠিত বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ কাৰ্যকৰীকৰণৰ বিষয়ে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে প্ৰস্তুত কৰা প্ৰতিবেদন পাৱাৰ পইন্ট প্ৰদৰ্শনৰ জৰিয়তে বিতংভাৱে বুজ লয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে বৰ্তমানে থকা ১৫ টা কালভাৰ্ট পুনৰ নিৰ্মাণ কৰাৰ বাবে লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে। তেওঁ লগতে মুৰুলীধৰ জালান বাছ টাৰ্মিনাছৰ পৰা চেঁচালৈ ৪৫ কোটি টকা ব্যয় সাপেক্ষে ৯,৩৮৫ মিটাৰ দৈৰ্ঘ্যৰ এটা নতুন কেঁচা নলা নিৰ্মাণৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে আৰু এই নলাটো পৰৱৰ্তী সময়ত পকী নলালৈ পৰিৱৰ্তন কৰা হ'ব বুলিও তেওঁ কয়। আনহাতে, ডিব্ৰুগড় পৌৰ সভাৰ মূল নলাৰ জাৱৰ নিষ্কাষনৰ ক্ষেত্ৰত প্ৰয়োজনীয় সা-সামগ্ৰী ক্ৰয় কৰিবলৈ তেওঁ সংশ্লিষ্ট বিভাগক যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। এই নলা নিৰ্মাণৰ ক্ষেত্ৰত প্ৰয়োজনীয় দলং তথা ওলোমা দলঙৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথৰ ক্ৰছ কালভাৰ্ট নিৰ্মাণৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু ৰে'লৱে কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ তেওঁ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। ডিব্ৰুগড় চহৰত কৃত্ৰিম বানপানী ৰোধৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ সংশ্লিষ্ট বিভাগসমূহক যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। তদুপৰি নলা নিৰ্মাণৰ ক্ষেত্ৰত প্ৰয়োজনীয় ভূমি অধিগ্ৰহণৰ বাবে যথোচিত পদক্ষেপ গ্ৰহণ কৰিবলৈও তেওঁ জিলা আয়ুক্তক পৰামৰ্শ আগবঢ়ায়। এই ক্ষেত্ৰত তেওঁ ৰূপায়ণকাৰী সংস্থাৰ জৰিয়তে কাম-কাজসমূহ সময় নিৰ্ধাৰিতভাৱে সম্পন্ন কৰাৰ যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগসমূহক নিৰ্দেশনা প্ৰদান কৰে। এই বৈঠকত শক্তি আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ সৈকত পাত্ৰৰ উপৰি অতিৰিক্ত মুখ্য সচিব চৈয়দ্দিন আব্বাচী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড° কে কে দ্বিবেদী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব কবিতা পদ্মনাভন প্ৰমুখ্যে সংশ্লিষ্ট বিভাগসমূহৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। আনহাতে মুখ্যমন্ত্ৰী ড° শৰ্মাই ডিব্ৰুগড়ৰ খনিকৰত অসম বিধানসভা আৰু বিধায়ক আৱাসস্থলী নিৰ্মাণৰ প্ৰস্তাৱিত স্থান পৰিদৰ্শন কৰে। উল্লেখ্য যে, ৰাজ্য চৰকাৰে ডিব্ৰুগড়ত অসম বিধানসভা ভৱন আৰু বিধায়ক আৱাসস্থলী নিৰ্মাণৰ লগতে সেই স্থানতে এটা সু-বৃহৎ আৱৰ্ত ভৱন নিৰ্মাণৰো অভিলাষী পৰিকল্পনা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি প্ৰস্তাৱিত প্ৰকল্পস্থলী পৰিদৰ্শন কৰি সকলো সা-সুবিধা সংলগ্ন কৰি দৃষ্টিনন্দনভাৱে সমগ্ৰ প্ৰকল্পটো নিৰ্মাণৰ দিশত ব্যৱস্থা গ্ৰহণ কৰিবলৈ যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। ইয়াৰ পিছতে উপস্থিত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয় যে ডিব্ৰুগড়ত নিৰ্মাণ হ'বলগীয়া অসম বিধান সভা ভৱনত ভৱিষ্যতে ১৬০ গৰাকী বিধায়ক বহিব পৰা সুবিধা সম্বলিত হ'ব। চলিত বৰ্ষৰ মে' মাহত নিবিদা প্ৰক্ৰিয়া আৰম্ভ কৰি আগষ্ট-ছেপ্টেম্বৰ মাহত নিৰ্মাণকাৰ্য আনুষ্ঠানিকভাৱে আৰম্ভ কৰাৰ বাবে ৰাজ্য চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে সদৰী কৰে যে ২০২৭ চনৰ শেষ ভাগত এই সমগ্ৰ প্ৰকল্পটোৰ নিৰ্মাণ সম্পূৰ্ণ হ'ব আৰু এই নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠিলে বছৰি দুখনকৈ অসম বিধান সভাৰ অধিৱেশন ডিব্ৰুগড়ত অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিধানসভা ভৱনৰ সমীপতে নিৰ্মাণ হ'বলগীয়া আবৰ্ত ভৱনটোত চৰকাৰী বিষয়াসকলৰ বাবে ৭৫ টা কোঠা থাকিব। তেনেদৰে প্ৰস্তাৱিত বিধায়ক আৱাসত ১২৬ গৰাকী বিধায়ক থাকিব পৰাকৈ বিভিন্ন সা-সুবিধা উপলব্ধ হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড়ত নিৰ্মীয়মান খনিকৰ ষ্টেডিয়ামখনো পৰিদৰ্শন কৰি নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। এই পৰিদৰ্শনৰ পিছত উপস্থিত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয় যে খনিকৰ ষ্টেডিয়ামখনৰ আসনৰ ব্যৱস্থা পূৰ্বৰ ৫ হাজাৰখনৰ পৰা ২৫ হাজাৰখনলৈ বৃদ্ধি কৰা হৈছে। এই ষ্টেডিয়ামখনৰ প্ৰথম পৰ্যায়ৰ নিৰ্মাণকাৰ্য চলিত বছৰৰ শেষৰফালে সম্পূৰ্ণ হৈ উঠিব বুলিও তেওঁ কয়। এই পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীৰ সৈতে শক্তি আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাৰ উপৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। আনহাতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত ডিমৌ বিধানসভা সমষ্টিত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ অগ্ৰগতি সন্দৰ্ভতো আন এক পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত জিলাখনৰ চিকিৎসা মহাবিদ্যালয় আৰু কৰ্কট প্ৰতিষ্ঠানত নতুন এপ্ৰোচ ৰোড, ফকলাই বিলৰ জলাশয়ৰ উন্নয়ন সাধন, বাৰিষা কালত বানপানীৰ গতিপথ সলোৱাৰ বাবে প্ৰস্তাৱিত মথাউৰি, নতুন জিলা কাৰাগাৰ নিৰ্মাণ আদি বিষয়সমূহৰ ক্ষেত্ৰত থকা সমস্যাসমূহৰ বুজ লৈ মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিষয়াসকলক সমস্যাৰাজি নিৰসনৰ অৰ্থে যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে । আনহাতে, ৫ কোটি টকাতকৈ অধিক পুঁজি ব্যয় সাপেক্ষে সমষ্টিটোত ৰূপায়ণ হৈ থকা বিভিন্ন প্ৰকল্পসমূহৰ বিষয়েও বৈঠকত আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীয় লোকনিৰ্মাণ (পথ), লোকনিৰ্মাণ (গৃহ), জলসম্পদ, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, শক্তি, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, জনস্বাস্থ্য কাৰিকৰী, শিক্ষা, কৃষি, উদ্যোগ আৰু বাণিজ্য, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ অধীনত চলি থকা আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহৰ অগ্ৰগতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে শিৱসাগৰ জিলাত চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰো বৈঠকত পৰ্যালোচনা কৰে। প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত এতিয়ালৈকে কিমান গৃহ নিৰ্মাণ হৈছে, এই আঁচনিৰ নিৰ্ধাৰিত লক্ষ্য আৰু এই লক্ষ্য কিমান দূৰ বাস্তৱত পূৰণ হ'ল সেই বিষয়েও তেওঁ পৰ্যালোচনা কৰে। তদুপৰি তেওঁ এম জি এনৰেগাৰ অধীনত সমষ্টিটোত কৰ্মদিন সৃষ্টি আৰু প্ৰকল্প ৰূপায়ণ কিদৰে চলাই থকা হৈছে সেই সম্পৰ্কে সংশ্লিষ্ট বিভাগৰ পৰা বুজ লয়। মুখ্যমন্ত্ৰীয়ে পঞ্চদশ বিত্তীয় আয়োগৰ অনুমোদিত আঁচনিৰ বিপৰীতে ৰূপায়িত কাম-কাজৰ লগতে মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনি (গ্ৰামীণ)ৰ অগ্ৰগতিৰ সন্দৰ্ভতো পৰ্যালোচনা কৰে।




Janasanyog RO no 5053/24/28-Mar-25

# পুতলা নাচক জনপ্ৰিয়কৰণত গিতিমা দাস নতুন প্ৰজন্মৰ আদৰ্শ ঃ পৰেশ বৈশ্য



**দিলীপ মেধি, শুৱালকুছি ঃ** ৰামায়ণ, মহাভাৰতৰ যুগৰো বহু আগৰ পৰাই পুতলা নাচৰ প্ৰচলন আছিল। লোকনাট্যৰ বিভিন্ন ৰূপৰ ভিতৰত পুতলা নাচেই আটাইতকৈ পুৰণি। আমাৰ অসমতো মহাপুৰুষ শংকৰদেৱে চিহ্নযাত্ৰা কৰোঁতে পুতলা নাচৰ প্ৰয়োগৰ তথ্য পোৱা যায়। কিন্তু অতি সম্প্ৰতি কৃত্ৰিম বুদ্ধিমত্তাৰ আগ্ৰাসণৰ ফলত পৰম্পৰাগত পুতলা নাচৰ পৃথিৱীখনলৈ এফালে ভাবুকি আৰু আনফালে আনিছে নতুনত্বৰ সন্ধান। কৃত্ৰিম বুদ্ধিমত্তাই পুতলা নাচলৈ আনিব সীমাহীন সৃষ্টিশীল সম্ভাৱনা। পৰাম্পৰাগত পুতলা নাচত থকা সমাজৰ সাংস্কৃতিক চেতনাৰ আধাৰত ইয়াৰ অবিকৃত আধুনিকীকৰণৰ যাত্ৰাত খোজ দিবলৈ পুতলাৰ কলা-কুশলীসকল দক্ষ হৈ উঠিব লাগিব। ২১ মাৰ্চত 'শম্ভৰী অসম'ৰ উদ্যোগত আৰু পছৰীয়া কুশল কোঁৱৰ হাইস্কুলৰ সহযোগত স্থানীয় ৰাম সৰস্বতী প্ৰেক্ষাগৃহত আয়োজিত বিশ্ব পুতলা নাচ দিৱস উদ্‌যাপন কাৰ্যসূচীত মুখ্য অতিথি হিচাপে ভাগ লৈ বিশিষ্ট শিক্ষাবিদ তথা লেখক-সাংবাদিক পৰেশ বৈশ্যই এইদৰে কয়। তেওঁ কয় যে পুৰ্বে কুহিলা, বাঁহ আদিৰে নিৰ্মিত পুতলাৰ ঠাইত বজাৰত ৰবটিক পুতলাই স্থান দখল কৰাৰ লগতে পুতলা নচুৱা কাৰ্যতো মানুহৰ হাত, আঙুলিৰ সলনি আন আধুনিক পদ্ধতিয়ে ভুমুকি মাৰিবলৈ সাজু হৈছে। এইবোৰ নতুনক আমি কেনেদৰে গ্ৰহণ কৰিম তাৰ ওপৰতেই ইয়াৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। তেওঁ আৰু কয় যে অসমত পুতলা নাচ জনপ্ৰিয়কৰণত গিতিমা দাস নতুন প্ৰজন্মৰ আদৰ্শ। আৰম্ভণিতে পুতলা নাচৰ বিশেষজ্ঞা গিতিমা দাসে অনুষ্ঠানৰ উদ্দেশ্যে ব্যাখ্যা কৰি 'শম্ভৰী অসম' য়ে পুতলা নাচৰ প্ৰচাৰ, প্ৰসাৰ আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত লৈ অহা পদক্ষেপৰ কথা বহলাই আলোচনা কৰে। সভাত বিশিষ্ট অতিথি হিচাপে ভাষণ দি লোক সংস্কৃতিবিদ ড° দিলীপ কলিতাই কয় যে পুতলা নাচ কৰাটো প্ৰায় পাঁচ হাজাৰ বছৰৰো অধিক কাল পুৰণি। তেওঁ কয় যে কৃত্ৰিম বুদ্ধিমত্তাৰ আৱিৰ্ভাৱে পুতলা নাচৰ অস্তিত্বৰ প্ৰতি সংকট অনাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। তেওঁ কয় যে এসময়ত কামৰূপত বটী পুতলাৰ ব্যাপক প্ৰচলন আছিল। তেওঁ পুতলা নাচ প্ৰদৰ্শনৰ বিভিন্ন কৌশলৰ বিষয়েও বহলাই কয়। অনুষ্ঠানত এন. ডি. এছৰ পৰিৱেশ্য কলা বিভাগৰ সহকাৰী অধ্যাপক সোণমণি শৰ্মা, বিশিষ্ট অতিথি হিচাপে ভাগ লৈ পুতলা নাচৰ বিভিন্ন দিশ আলোকপাত কৰে। মৃদুস্মিতা বৰকটকীয়ে আঁত ধৰা উক্ত অনুষ্ঠানত পুতলাৰ সহায়ত অসম আমাৰ ৰূপহী, ওজাপালি, ঢুলীয়া নাচ, নাগাৰা নাম প্ৰদৰ্শন কৰে। অনুষ্ঠানত পুতলাৰ জৰিয়তে অসমৰ সংস্কৃতিৰ পূজাৰীসকলক গীত-মাতো পৰিৱেশন কৰা হয়।

# ডিব্ৰুগড়ত সদৌ অসম ভিত্তিত দিহা নাম প্ৰতিযোগিতা

## অহা চাৰি এপ্ৰিলত ঃ ১ম পুৰস্কাৰ ২৫ হাজাৰ, ২য়-২০ হাজাৰ আৰু পুৰষ্কাৰ ৩য় -১৫ হেজাৰকৈ টকা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** অহা ৪ এপ্ৰিলত বিশিষ্ট সমাজ হিতৈষী, ড° মন্দিৰা বৰুৱাৰ জন্মদিনৰ লগত সংগতি ৰাখি সামাজিক, সাংস্কৃতিক, উন্নয়ন সংস্থা সাতসৰী ডিব্ৰুগড়ৰ প্ৰগতি শীল শাখাই 'সদৌ অসম ভিত্তিত দিহা নাম প্ৰতিযোগিতা'ৰ আয়োজন কৰিছে। এই উদ্দেশ্যে ডিব্ৰুগড়ৰ মানকটা পথৰ ১নং লক্ষীনগৰৰ শ্ৰীশ্ৰী আউনিআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত অহা চাৰি এপ্ৰিলত এই প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। প্ৰতিযোগিতা উদ্‌যাপন সমিতিৰ সম্পাদিকা জয়শ্ৰী দত্ত আৰু সাংস্কৃতিক সম্পাদক প্ৰদীপ গগৈয়ে জানিবলৈ দিয়া অনুসৰি প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ২৫ হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ ২০ হাজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ ১৫ হাজাৰ টকা। ইয়াৰোপৰি প্ৰতিযোগিতাত শ্ৰেষ্ঠ খোল বাদক, শ্ৰেষ্ঠ নামতি আৰু শ্ৰেষ্ঠ নাগাৰা বাদকৰ বঁটাও থাকিব। দিহানাম প্ৰতিযোগিতাৰ সন্দৰ্ভত সবিশেষ জানিবৰ বাবে উদ্যোক্তাসকলে যোগাযোগ কৰিবলৈ দিয়া ফোন নং সমূহ হৈছে-৮৬৩৮২-২৮৯৬০, ৭০০২৬-৬৯৬১১, ৯৪৩৫২-৯৫৯৯৯,৭০০২০-৬৭৯১৩, ৮৭৫১৮-১৩১৪০ আৰু ৭০০২৩-০১৬৬২।







# তেজপুৰ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত 'বিশ্ব কবিতা দিৱস' পালন



**চন্দন শৰ্মা, তেজপুৰ ঃ** তেজপুৰ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত 'বিশ্ব কবিতা দিৱস' পালন। এই উপলক্ষে কবিতাৰ বিশেষ অনুষ্ঠান আৰু অন্তৰংগ আলাপৰ আয়োজন কৰা হয়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মিতালী শইকীয়া আৰু শিক্ষা বিভাগৰ অধ্যাপিকা সুৰজিতা বৰাই যুটীয়াভাৱে আঁত ধৰা অনুষ্ঠানটিত অতিথি হিচাপে উপস্থিত থাকে স্বনামধন্য সাহিত্যিক ড° স্বাধীনতা মহন্ত আৰু বিশিষ্ট কবি মৃদুল চহৰীয়া। অনুষ্ঠানত আৰম্ভণি ভাষণ প্ৰদান কৰি অধ্যক্ষ ড° মনোজ কুমাৰ হাজৰিকাই কয় যে কবিতা মানুহৰ হৃদয়ৰপৰা নিগৰিত অনুভূতি। কবিতা আৰু সংগীত দুয়োটাই মানৱ জীৱনৰ পৰিপূৰক। ড° স্বাধীনতা মহন্তই তেওঁৰ বক্তব্যত আধুনিক কবিতাৰ দুৰ্বোধ্যতা প্ৰসঙ্গত কয় যে সৰল ভাষাৰ কবিতাইহে পাঠকৰ হৃদয়ত স্থান পাব পাৰে। লোকপ্ৰিয় গোপীনাথ বৰদলৈ মানসিক চিকিৎসা প্ৰতিষ্ঠানৰ গ্ৰন্থাগাৰিক তথা কবি মৃদুল চহৰীয়াই তেওঁৰ বক্তব্যত কয় যে কবিৰ যেনেকৈ সমাজৰ প্ৰতি দায়বদ্ধতা আছে পাঠক সকলো তেনেদৰে কবিৰ সৃষ্টিক লৈ সচেতন আৰু অধ্যয়নশীল হ'ব লাগিব। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিককে ধৰি কেইবাজনো অধ্যাপক অধ্যাপিকাই স্বৰচিত কবিতা পাঠেৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। কবিতা দিৱস উপলক্ষে অসমীয়া বিভাগে এখনি কবিতা প্ৰতিযোগিতাৰো আয়োজন কৰে। সদৌ অসম ভিত্তিত আয়োজন কৰা কবিতা প্ৰতিযোগিতাত অসমৰ ভালেমান মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ভাগ লোৱাৰ বিপৰীতে তিনিজন প্ৰতিযোগীয়ে তিনিটা স্থান লাভ কৰিবলৈ সক্ষম হয়। প্ৰথম স্থান লাভ কৰি প্ৰয়াত বীণাপাণি বুঢ়াগোহাঁই সোঁৱৰণী বঁটা লাভ কৰে কটন বিশ্ববিদ্যালয়ৰ স্নাতক দ্বিতীয় যান্মাষিকৰ ছাত্ৰী কৃষ্ণালীনা কলিতাই, দ্বিতীয় স্থান লাভ কৰি স্বৰ্গীয় তিলোৰাম দলৈ সোঁৱৰণী বঁটা লাভ কৰে লক্ষীমপুৰ খেৰাজখাত মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় যান্মাসিকৰ ছাত্ৰ প্ৰকাশ দত্তই আৰু তৃতীয় স্থানেৰে প্ৰয়াত প্ৰফুল্ল শইকীয়া সোঁৱৰণী বঁটা লাভ কৰে যোৰহাট কাকজান মহাবিদ্যালয়ৰ ষষ্ঠ যান্মাসিকৰ ছাত্ৰী শিৱানী বৰুৱাই। উল্লেখ্য যে উক্ত বঁটা সমূহৰ দাতা ক্ৰমে অসমীয়া বিভাগৰ মুৰব্বী মিতালী শইকীয়া, অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ, লেখক সাংবাদিক মেৰুমিঠু কটকী আৰু বৰপেটাত কৰ্মৰত মাধুৰীমা শইকীয়া।

*স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।*
*Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &*
*Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor :* Pranati Bora
*Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,*

*সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া*
*সম্পাদক ঃ প্ৰণতি বৰা*